দ্বিতীয় অধ্যায়

অসমৰ ৰাজনৈতিক বাতাৱৰণ (১৮৯০-১৯৪৭)

দ্বিতীয় অধ্যায়

অসমৰ ৰাজনৈতিক বাতাৱৰণ (১৮৯০-১৯৪৭)

প্ৰাক স্বাধীনতা কালৰ অসমৰ ৰাজনৈতিক বাতাৱৰণে এক দীঘলীয়া সময়ক সামৰি লয়। এই দীঘলীয়া সময়ছোৱাতে আহোম সাম্ৰাজ্য পতনৰ পৰা আৰম্ভ কৰি গৃহযুদ্ধ, মানৰ ভয়াৱহ আক্ৰমণকে আদি কৰি বহুতো কথাই আহি পৰে। মানসেনাক খেদিবলৈ আহি ইংৰাজে ঊনবিংশ শতিকাত (১৮২৬ চনত) অসমক ব্ৰিটিছ ভাৰতৰ অন্তৰ্ভুক্ত কৰে। সমগ্ৰ ভাৰতবৰ্ষ তথা অসমৰ বাবে ঊনবিংশ শতিকাৰ সময়ছোৱা বিশেষ গুৰুত্বপূৰ্ণ সময়। সমগ্ৰ ভাৰতবৰ্ষতে তেতিয়া এফালে সাম্ৰাজ্যবাদী ইংৰাজৰ আৰ্থ-ৰাজনৈতিক আধিপত্য আৰু আনফালে ইংৰাজী ভাষা সাহিত্যই বোঁৱাই অনা নৱজাগৰণৰ ঢৌ। ভাৰতীয় সমাজখনলৈ অহা পাশ্চাত্যৰ এই প্ৰভাৱক গ্ৰীক দেৱতা জেইনাচৰ দুমুখীয়া চৰিত্ৰৰ স'তে ৰিজাইছে সমালোচক ভৱেন বৰুৱাই।[১] তেখেতে আকৌ কৈছে "কলকাতা মহানগৰীত এই দুমুখীয়া ৰূপৰ সুন্দৰ প্ৰতিফলন দেখা গৈছিল— এফালে ইংৰাজৰ আধিপত্য তথা ভাৰতীয় জাতীয় আত্মাৰ দাসত্ব আকৌ আনফালে পাশ্চাত্যই কঢ়িয়াই অনা মুক্তিৰ বাণী— ৰক্ষণশীলতাৰ শিকলিৰ পৰা ভাৰতীয় সমাজৰ মুক্তি।" (পৃঃ ২৬) সুনীতি কুমাৰ চেটাৰ্জীয়েও ঊনবিংশ শতিকাৰ প্ৰভাৱৰ বিষয়ে ক'বলৈ গৈ তেওঁৰ 'The Nineteenth Century Renaissance in India and Lakshminath Bezbaroa of Assam' প্ৰবন্ধত কৈছে— আৰ্থিক আৰু ৰাজনৈতিক কিছু অৱনতি সত্ত্বেও ঊনবিংশ শতিকাতে ভাৰতীয় মানুহৰ মানসিকতা আৰু ভাৰতীয় সংস্কৃতিৰ বিকাশৰ ক্ষেত্ৰত ঊনবিংশ শতিকাৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। (1)[২] ঊনবিংশ শতিকাৰ আগমনে বাহিৰৰ সমাজখনৰ স'তে থকা ভাৰতীয় সমাজৰ বিচ্ছিন্নতাক ভাঙি দিছিল। ইংৰাজী শিক্ষাৰ প্ৰসাৰ আৰু পশ্চিমীয়া ধাৰণাৰ আগমনে ভাৰতীয় সমাজখনৰ ধৰ্মীয়, সামাজিক আৰু সাংস্কৃতিক দিশলৈ বৈপ্লৱিক পৰিৱৰ্তন আনিছিল। ঊনবিংশ শতিকাৰ এই জাগৰণক সুনীতি কুমাৰ চেটাৰ্জীয়ে এক নতুন বৌদ্ধিক সজাগতা, এক নৱজাগৰণ বুলি কৈছে।

অসমৰ বাবেও ঊনবিংশ শতিকাই বিশেষ তাৎপৰ্য বহন কৰি আনিছিল। ঊনবিংশ শতিকাৰ এই সময়ছোৱাত কলিকতা মহানগৰী হৈ পৰিছিল নৱজাগৰণৰ প্ৰাণকেন্দ্ৰস্বৰূপ।[৩] দৰাচলতে ঊনবিংশ

শতিকাত ব্ৰিটিছ শাসনৰ জৰিয়তে ভাৰতৰ বিভিন্ন অঞ্চলত বিয়পি পৰা পশ্চিমীয়া আধুনিকতা আৰু মানৱতাৰ প্ৰভাৱে ভাৰতীয় সামন্তযুগীয় সমাজখনৰ ৰক্ষণশীলতাক গভীৰভাৱে আঘাত হানিছিল। নৱজাগৰণৰ উন্মেষে প্ৰতিটো জাতিক নিজস্ব সাংস্কৃতিক, জাতীয় ঐতিহ্যৰ প্ৰতি সচেতন কৰি তুলিছিল আৰু নৱজাগৰণৰ এই উন্মেষ কলিকতা মহানগৰীত গভীৰভাৱে অনুভূত হৈছিল। কুসংস্কাৰাচ্ছন্ন ৰক্ষণশীলতাৰ বিপৰীতে ইয়ং বেংগল আৰু ব্ৰাহ্ম সমাজৰ উদাৰনৈতিক, প্ৰগতিশীল দৃষ্টিভংগীৰ প্ৰসাৰ, বঙলা ভাষা-সাহিত্য সংস্কৃতিৰ জয়যাত্ৰাৰে কলিকতা মহানগৰী ঊনবিংশ শতিকাৰ নৱজাগৰণৰ লগত এক বৌদ্ধিক প্ৰাণকেন্দ্ৰ স্বৰূপ হৈ পৰিছিল। সেই সময়ত অসমৰ পৰা বহুতো ছাত্ৰ-ছাত্ৰী কলিকতালৈ পঢ়িবলৈ গৈছিল। বঙলা ভাষা-সাহিত্য-সংস্কৃতিৰ উত্থানে তেওঁলোকক গভীৰভাৱে প্ৰভাৱিত কৰিছিল আৰু সেই চিন্তাৰে অনুপ্ৰাণিত হৈ অসমীয়া ভাষা-সাহিত্য সংস্কৃতিকো ন ন ধাৰণাৰে পৰিপুষ্ট কৰাৰ প্ৰয়াসত ব্ৰতী হৈছিল। দৰাচলতে, ঔপনিৱেশিক শাসনৰ অধীন হোৱা প্ৰতিটো জাতিয়ে ঔপনিৱেশিক শাসনৰ মাজতে এক নিজস্ব পৰিচয়ৰ সন্ধানত ব্ৰতী হৈছিল। কলিকতাৰ নৱজাগৰণৰ উন্মেষে অসমীয়া ছাত্ৰসকলৰ মনতো তেনে এক আকাংক্ষাৰে জন্ম দিছিল।

কলিকতালৈ পঢ়িবলৈ যোৱা এই ছাত্ৰসকলৰ যত্নতেই ১৮৮৮ চনৰ ২৫ ডিচেম্বৰ তাৰিখে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা'ৰ গঠন হৈছিল আৰু এই সভাৰ মুখপত্ৰ হিচাপে চন্দ্ৰকুমাৰ আগৰৱালা (১৮৬৭-১৯৩৭)ৰ সম্পাদনাত ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা 'জোনাকী' কাকত প্ৰকাশ হ'বলৈ লৈছিল। জোনাকীৰ প্ৰকাশে অসমীয়া সাহিত্য সংস্কৃতিলৈ এটি নতুন যুগৰ আগমন ঘটালে। জোনাকীয়ে প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত সংযোগসেতু স্থাপন কৰিলে। পাশ্চাত্যৰ ধাৰণাৰে অনুপ্ৰাণিত হৈ প্ৰকাশ কৰিবলৈ লোৱা এই কাকতখনৰ মাজেৰে নৱজাগ্ৰত সাহিত্যিক চেতনাৰ উন্মেষ হৈছিল। অসমীয়া মানুহৰ মনত এক জাতীয় চেতনা গঢ় লৈ উঠাৰ দিশতো জোনাকী কাকতে বিশেষ ভূমিকা লৈছিল। বেজবৰুৱা প্ৰমুখ্যে ঊনবিংশ শতিকাৰ শেষভাগত কলিকতালৈ পঢ়িবলৈ যোৱা অসমীয়া ডেকাসকলে অসমীয়া ভাষা উন্নতি সাধিনী সভা আৰু জোনাকী (১৮৮৯)ৰ মাজেৰে অসমীয়া ভাষা আৰু সাহিত্যৰ উন্নতিৰ মাজেৰে অসমীয়া জাতিক গঢ়ি তোলাত ব্ৰতী হৈছিল। তাৎপৰ্যপূৰ্ণভাৱে তাৰ তিনি বছৰ পূৰ্বে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠা হৈছিল (১৮৮৫)। জাতীয় কংগ্ৰেছৰ প্ৰতিষ্ঠাই সৰ্বভাৰতীয় জাতীয় চেতনাৰ প্ৰেক্ষাপটলৈ নতুন দিশৰ সংযোজন ঘটাইছিল। আকৌ ভাৰতৰ বিভিন্ন প্ৰান্ত বা অঞ্চলত ভাৰতীয়সকলৰ ঐক্যৰ ধাৰণাৰে বিভিন্ন সংগঠন গঢ় লৈ

উঠিছিল। সুৰেন্দ্ৰনাথ বন্দোপধ্যায়ৰ নেতৃত্বত গঢ় লৈ উঠা ইণ্ডিয়ান এছোছিয়েছন আছিল তেনে এক সংগঠন। *জোনাকী* য়ে তাৰ প্ৰস্তাৱনাত 'ৰাজনীতি আমাৰ ৰাজ্যৰ বাহিৰ, এই পৰাধীন দেশত প্ৰজানীতিহে ধৰিবলগীয়া' বুলি ক'লেও অসমীয়া জাতীয়তাবোধ জগাই তোলাত তথা অসমীয়া জাতিৰ দোষ-গুণ, ত্ৰুটি-বিচ্যুতি আঙুলিয়াই অসমীয়া জাতিটো আগবঢ়াই লৈ যোৱাত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। গোবিন্দ প্ৰসাদ শৰ্মাই এই ৰাজনীতি সম্পৰ্কত ক'বলৈ গৈ কৈছে, "ঊনবিংশ শতাব্দীৰ শেষভাগ আৰু বিংশ শতাব্দীৰ প্ৰথম দশকত ভাৰতৰ ৰাজনীতি হ'ল মাথোন দেশৰ আৰু সমাজৰ মংগল তথা উন্নতিৰ বাবে আৰ্জি পেচ কৰাৰ আৰু আবেদন নিবেদন কৰাৰ ৰাজনীতি। 'জোনাকী' তেতিয়া ৰাজনীতি নকৰে বুলি ক'লেও অসমীয়া জাতীয়তাবোধ জাগ্ৰত কৰাৰ বাবে সাহিত্যিক আন্দোলন পূৰ্ণমাত্ৰাই চলাই আছিল।"(৬১)

'জোনাকী'ৰ এই জাতীয়তাবোধ প্ৰকাশ পাইছিল লক্ষ্মীনাথ বেজবৰুৱাকে (১৮৬৪-১৯৩৮) ধৰি চন্দ্ৰ কুমাৰ আগৰৱালা (১৮৬৭-১৯৩৮), হেমচন্দ্ৰ গোস্বামী (১৮৭২-১৯২৮), পদ্মনাথ গোহাঞিবৰুৱা (১৮৭১-১৯৪৫) আদিৰ লিখনীৰ মাজেৰে। ভাষা এটাৰ মাজত যে জাতি এটাৰ মৌলিক পৰিচয় নিহিত হৈ থাকে সেই সম্পৰ্কে বেজবৰুৱা সচেতন আছিল। সেয়েহে অসমীয়া জাতিক আগবঢ়াই নিবলৈ ভাষাটোৰ লগতে সাহিত্যৰ বিভিন্ন দিশসমূহলৈও তেওঁ গুৰুত্ব দিছিল। ভাষা সম্বন্ধে লিখা ৰচনাখিনিৰ মাজেৰে বেজবৰুৱাৰ এই ভাষা সচেতন দিশটোক অনুধাৱন কৰিব পাৰি। "জাতি এটাৰ মন যদি আধুনিক হ'ব লাগে, সেই জাতিৰ ভাষাও আধুনিক হ'ব লাগিব আৰু উন্নত জাতিৰ ভাষাত উন্নত সাহিত্যৰ এক বিশেষ ভূমিকা আছে। লক্ষ্মীনাথে এইটোও বুজিছিল যে আধুনিকতা কেৱল এক নৱোন্মেষেই নহয়, ই পুনৰ্জাগৰণো— সুপ্তৰ পৰা উত্থিত হৈ নতুনক গ্ৰহণ কৰিব পৰা ক্ষমতা অৰ্জন কৰা, কিন্তু ঐতিহ্যৰ মহৎখিনিক আওকাণ নকৰি পুনৰ্বিচাৰেৰে নতুনৰ লগত তাৰ সমন্বয় সাধন কৰা।" (ডেকা ২৫৪) অৱশ্যে 'দেশৰ উন্নতি, জোনাক' বিচৰা জোনাকী কাকতে ভাষা, সাহিত্য, সংস্কৃতিৰ উন্নতিৰে অসমীয়া জাতিৰ উন্নতি বিচাৰিছিল। লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালা প্ৰমুখ্যে জোনাকীৰ লেখকসকলে গুৰুত্ব দিছিল অসমীয়া ভাষাৰ মৰ্যাদা প্ৰতিষ্ঠাত, ভাষা-সাহিত্যক ন ন দিশেৰে সমৃদ্ধ কৰাৰ লগতে অসমীয়া মানুহৰ দোষ-দুৰ্বলতা আঁতৰাই জাতিটোৰ ভাষিক, সাংস্কৃতিক, সামাজিক ভেঁটি সুদৃঢ় কৰি জাতীয় চৈতন্য গঢ় দিয়াত। 'অসমীয়া সাহিত্যৰ এটি যুগ, এটা আন্দোলন, এটা সাহিত্যিক ব্যক্তিত্ব।'[৪] জোনাকীয়ে

ৰাজনীতিৰ পৰা আঁতৰত থাকিলেও অসমীয়া সাহিত্য-সংস্কৃতিৰ জগতখনত এক বৌদ্ধিক জাগৰণ আনি দিয়াৰ লগতে অসমীয়া মানুহৰ মনত এক জাতীয় চেতনা সৃষ্টিত বিশেষ ভূমিকা লৈছিল।

বেনেডিক্ট এণ্ডাৰছনে জাতীয়তাবাদৰ প্ৰসংগত কৈছে— "পুঁজিবাদৰ যুগত আধুনিক ছপাশাল আৰু সংবাদ পত্ৰৰ বহল প্ৰচাৰে যোৱা এশ-ডেৰশ বছৰত জাতীয়তাবাদৰ বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছে।[৫] ঊনবিংশ শতিকাৰ শেষৰ বছৰকেইটাত সংবাদ সাহিত্যৰ উত্থানে অসমৰ সামাজিক আৰু ৰাজনৈতিক দিশৰ ওপৰত বিশেষ প্ৰভাৱ পেলাইছিল। সেই সংবাদ পত্ৰবোৰে অকল জ্ঞান সৰবৰাহেই নহয় জনসাধাৰণৰ সাধাৰণ সমস্যাবোৰৰ হকে মাত মাতিছিল। গুণাভিৰাম বৰুৱা (১৮৩৭-১৮৯০)ৰ সম্পাদনাত প্ৰকাশ পোৱা আসাম বন্ধু (১৮৮৬) আৰু জোনাকী (১৮৮৯) চৰিত্ৰগতভাৱে অৰাজনৈতিক আছিল যদিও অসমীয়া জাতীয় ভাবাৱেগ উত্থানত অৰিহণা যোগাইছিল। জোনাকীৰ নিৰপেক্ষ চৰিত্ৰৰ বিপৰীতে পদ্মনাথ গোহাঞিবৰুৱা (১৮৭১-১৯৪৬)ৰ সম্পাদনাত প্ৰকাশ পোৱা বিজুলী (১৮৯১) কাকতত ধাৰাহিকভাৱে ৰাজনৈতিক প্ৰবন্ধ এলানি প্ৰকাশ পাইছিল আৰু এই প্ৰবন্ধবোৰৰ মাজেৰে সম্পাদক গোহাঞিবৰুৱাই জোৰ দিছিল যে বাতৰি কাকতে চৰকাৰ আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্ক স্থাপনত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে।

প্ৰকৃতাৰ্থত ক'বলৈ গ'লে আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-১৮৫৯) আৰু মণিৰাম দেৱানে (১৮০৬-১৮৫৮) ই অসমত প্ৰথম ৰাজনৈতিক সচেতনতাৰ বাতাৱৰণ এটি গঢ় দিছিল।[৬] অসমত ব্ৰিটিছ শাসনৰ সূচনাকালতে আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম হৈছিল। ব্ৰিটিছ প্ৰশাসক জেনকিন্স আৰু কৰ্ণেল মেথিৰ উৎসাহত আনন্দৰাম হিন্দু কলেজত পঢ়িবলৈ গৈছিল। কলিকতাৰ তেতিয়াৰ বৌদ্ধিক পৰিমণ্ডল, ইংৰাজী শিক্ষা আৰু ব্ৰিটিছ শাসনৰ ছায়াত আনন্দৰাম ঢেকিয়াল ফুকনৰ চিন্তা-জগত আলোড়িত হৈছিল। (বায়ন ৮) পাশ্চাত্য শিক্ষা আৰু বৌদ্ধিক সংস্পৰ্শৰ প্ৰভাৱেৰে আনন্দৰাম ঢেকিয়াল ফুকনে নিজৰ উত্তৰণ ঘটোৱাৰ লগতে অসমীয়া সমাজখনকো তুলি ধৰিব খুজিছিল। আনন্দৰাম ঢেকিয়াল ফুকনেই আছিল অসমৰ বৌদ্ধিক নৱজাগৰণৰ পথিকৃত। আধুনিক পৰশেৰে তেওঁ অসমীয়া সমাজখনকো জীপাল কৰি তুলিব খুজিছিল। উল্লেখ্য যে ব্ৰিটিছ ঔপনিৱেশিক শাসন আৰু প্ৰশাসনৰ মাজতেই, পাশ্চাত্য শিক্ষা, সংস্কৃতিৰ সংস্পৰ্শতেই নৱজাগৰণৰ আদৰ্শই ভাৰতীয় শিক্ষিত সমাজক প্ৰভাৱিত কৰিছিল। এই নৱজাগৰণৰ আদৰ্শই ভাৰতৰ লগতে অসমকো চুই গৈছিল।

অসম তথা ভাৰতৰ বুৰঞ্জীত ঊনবিংশ শতিকা এক গুৰুত্বপূৰ্ণ অধ্যায়ৰূপে বিবেচিত হৈছে।

এফালে পাশ্চাত্য শিক্ষা-সংস্কৃতিয়ে গঢ় দিয়া বৌদ্ধিক নৱজাগৰণৰ প্ৰভাৱ আনফালে ইংৰাজৰ দাসত্ব— এই দুই বিপৰীতমুখী স্থিতিত ঊনবিংশ শতিকাৰ বৌদ্ধিক নেতৃবৰ্গৰ উপস্থিতি মনকৰিবলগীয়া। আনন্দৰাম ঢেকিয়াল ফুকনে ব্ৰিটিছ প্ৰশাসনৰ এগৰাকী আনুগত্যশীল সুদক্ষ বিষয়া হিচাপে কৰ্মৰত হৈও অসম, অসমীয়াৰ হকে মাত মাতিছিল। ঔপনিৱেশিক শাসনৰ মাজতেই তেওঁ অসমৰ প্ৰগতি কামনা কৰিছিল। তেওঁৰ কাৰ্যাৱলীৰ মাজেৰে গভীৰ স্বদেশানুৰাগৰ উমান পোৱা যায়। অসমত ব্ৰিটিছে বাংলা ভাষা প্ৰৱৰ্তন কৰা বিষয়টোক তেওঁ মনে-প্ৰাণে সমৰ্থন জনাব পৰা নাছিল। সেয়েহে এই ভুল নীতি সম্পৰ্কে চৰকাৰক পতিয়ন নিয়াৰ যত্ন কৰিছিল। অসমীয়া লিখা-মেলা কৰি ভাষাটো প্ৰতিষ্ঠাৰ এক নিৰলস চেষ্টাত তেওঁ ব্ৰতী হৈছিল। তদুপৰি তেওঁ ব্ৰিটিছ বিষয়া এ. জে. মফাট মিলছৰ হাতত দিয়া স্মাৰক পত্ৰত অসমীয়া ভাষাৰ প্ৰৱৰ্তনৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিছিল। কিন্তু তেওঁৰ এই ভাষা প্ৰীতিত কোনো বিদ্বেষৰ চেক নাছিল। অসমীয়া ভাষাৰ সমান্তৰালভাৱে বাংলা ভাষাৰ শিক্ষাৰ প্ৰয়োজনৰ কথাও তেওঁ একে সময়তে দোহাৰিছিল।

আধুনিকতাৰ মাজৰে তথা বৌদ্ধিক নৱজাগৰণৰ মাজেৰে অসমীয়া সমাজখনলৈ পৰিৱৰ্তন অনাৰ প্ৰথম ইংগিত পোৱা গৈছিল আনন্দৰাম ঢেকিয়াল ফুকনৰ উক্তিত ঃ

> যি সময়ত অসমত হাবি গুচি ফুলবাৰী হ'ব, নৈত ডোঙা গুচি জাহাজ
> হ'ব, গাৱে গাৱে হেজাৰ পঢ়াশালি, জ্ঞানৰ সভা, দুখীয়া দৰিদ্ৰৰ পৰিত্ৰাণৰ
> আশা হ'ব... সেই সময় হে পৰমপিতা জগদীশ্বৰ শীঘ্ৰে ঘটোৱা।

অসমীয়া জাতিৰ অস্তিত্ব অসমীয়া ভাষাটোৰ লগত যে ওতপ্ৰোতভাৱে জড়িত এই সচেতনতাবোধৰ প্ৰকাশ আনন্দৰাম ঢেকিয়াল ফুকনৰ চিন্তাচৰ্চাৰ মাজতে পোৱা গৈছিল। এ জে মফাট মিলছলৈ দিয়া আনন্দৰামৰ অৰ্জিত অসমীয়া ভাষাৰ পুনঃপ্ৰচলন এটা প্ৰধান দাবী আছিল।

আনন্দৰাম ঢেকিয়াল ফুকনৰ লগতে মণিৰাম দেৱানেও অসমত ৰাজনৈতিক সচেতন পৰিৱেশ এটা গঢ় লৈ উঠাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। প্ৰথম অৱস্থাত ব্ৰিটিছৰ অনুগত হিচাপে থকা মণিৰাম দেৱানে পিছলৈ ব্ৰিটিছ বিৰোধী স্থিতি লৈছিল। এওঁলোক দুয়োজনেই অসমৰ বিভিন্ন সমস্যা সম্পৰ্কে ব্ৰিটিছ প্ৰশাসনৰ কাণ ছোৱাইছিল। পৰাধীন ভাৰতত ব্ৰিটিছৰ অনুগ্ৰহতে অসমীয়া মধ্যবিত্ত শ্ৰেণীয়ে এক ভাষিক জাতীয়তাবাদী পৰিচয় গ্ৰহণ কৰিছিল। সমান্তৰালভাৱে ব্ৰিটিছ পুঁজিৰ বাধা অতিক্ৰম কৰোতে তেওঁলোকৰ মাজত লাহে লাহে সামাজিক, ৰাজনৈতিক চেতনাও গঢ় লৈ উঠিছিল।

অসমীয়া জনমানসত এই সামাজিক ৰাজনৈতিক চেতনা সমান্তৰালভাৱে দুটা ধাৰাৰে প্ৰবাহিত হৈছিল। নগেন শইকীয়াই তেখেতৰ *Background of Modern Assamese literature* ত এই বিষয়ে সবিস্তাৰে আলোচনা কৰিছে। পূৰ্বৰ সন্মান হেৰোৱা ৰাজবিষয়া, ৰাজকোঁৱৰ, কৃষকসকল আছিল এটা ফৈদত আৰু আনটো ফৈদ আছিল ইংৰাজী শিক্ষাৰে শিক্ষিত নতুন মধ্যবিত্ত শ্ৰেণীটো।[৮] ৰাজ বিষয়া, ৰাজকোঁৱৰসকলৰ বিদ্ৰোহ, মণিৰাম দেৱানৰ কাৰ্যকলাপ আৰু ৰাইজ মেল আদিৰ মাজেৰে ক্ৰমশঃ গঢ় লৈ উঠা কৃষকৰ অসন্তুষ্টিক নগেন শইকীয়াই ব্ৰিটিছ বিৰোধী স্থিতি বুলি কৈছে। (262) আকৌ ইংৰাজী শিক্ষাৰে শিক্ষিত আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাৰ কাৰ্যকলাপক ব্ৰিটিছ অনুগত স্থিতি বুলি কৈছে।(262) এই দুই স্থিতিৰ মাজেৰে ঊনবিংশ শতিকাৰ অসমৰ ৰাজনৈতিক চেতনাই অসমৰ ৰাজনৈতিক বাতাৱৰণত এক গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছিল।

দেখা গৈছিল যে ঊনবিংশ শতিকাত সমান্তৰালভাৱে দুটা বিপৰীতমুখী ৰাজনৈতিক চেতনাৰ উন্মেষ হৈছিল। ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্ধত অসমত ব্ৰিটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংঘটিত হোৱা কৃষক বিদ্ৰোহৰ নেতৃত্ব দিছিল 'ৰাইজমেল' বোৰে। এই ৰাইজমেল আছিল কৃষকৰ দ্বাৰা সংগঠিত আৰু পৰিচালিত এক গণ সংগঠন। প্ৰথম অৱস্থাত এই ৰাইজমেলসমূহ প্ৰশাসনৰ এক স্বীকৃত সংগঠন আছিল। পৰস্পৰে পৰস্পৰৰ পৰিপূৰক হিচাপে কাম কৰি গৈছিল। কিন্তু ১৮৬১ চনৰ পৰা চৰকাৰে খাজনা বঢ়োৱাৰ লগতে নতুন নতুন কৰ-কাটল আদি লগোৱাৰ প্ৰতিবাদতএই ৰাইজমেলসমূহে চৰকাৰ বিৰোধী স্থিতি গ্ৰহণ কৰিবলৈ লয়। এই ৰাইজমেলৰ হিংসাত্মক প্ৰকাশ দেখা গৈছিল ১৮৬১ চনৰ ১৮ অক্টোবৰ তাৰিখে 'ফুলগুৰি ধেৱা'ৰ মাজেৰে। ব্ৰিটিছ চৰকাৰৰ সাম্ৰাজ্যবাদী নীতিৰ বিৰোধিতা কৰিবলৈ যোৱা এচাম উত্তেজিত কৃষকৰ হাতত জি বি ছিংগাৰ নামৰ ব্ৰিটিছ বিষয়াজনৰ মৃত্যু হৈছিল। ফুলগুৰিৰ এই কৃষক বিদ্ৰোহত বৰ্ণ হিন্দু লোকৰ সৈতে সমানে সমানে আগবাঢ়ি আহিছিল কৈৱৰ্ত কুল আৰু লালুং জনগোষ্ঠীৰ লোকসকল।

প্ৰসংগক্ৰমে উল্লেখ যে ঊনবিংশ শতিকাৰ বুদ্ধিজীৱীসকলে প্ৰত্যক্ষ ৰাজনৈতিক কাম-কাজত জড়িত হোৱা নাছিল। তাৰ পৰিৱৰ্তে তেওঁলোকে ব্ৰিটিছৰ শাসনক আদৰণি জনাইছিল আৰু প্ৰশাসনিক কাম-কাজত সহায়-সহযোগ আগবঢ়াইছিল। আনন্দৰাম ঢেকিয়াল ফুকন, গুণাভিৰাম বৰুৱা, হেমচন্দ্ৰ বৰুৱাকে আদি কৰি ঊনবিংশ শতিকাৰ প্ৰথম পৰ্যায়ৰ লোকসকল আৰু ঊনবিংশ শতিকাৰ পিছৰ পৰ্যায়ৰ পদ্মনাথ গোহাঞি বৰুৱা, লক্ষ্মীনাথ বেজবৰুৱা, হেমচন্দ্ৰ গোস্বামী আদিয়ে তেওঁলোকৰ

লিখনিৰ মাজেৰে ব্ৰিটিছ শাসনৰ প্ৰশংসাহে কৰিছিল। তেওঁলোকে অনুভৱ কৰিছিল যে ব্ৰিটিছৰ আগমন অবিহনে অসমীয়া সাহিত্য-সমাজ-সংস্কৃতিলৈ আধুনিকতাৰ প্ৰকাশ সম্ভৱ নহ'লহেঁতেন। পশ্চিমীয়া শিক্ষাৰে অনুপ্ৰাণিত মধ্যবিত্ত শ্ৰেণীটোৱে বুজি পাইছিল যে ব্ৰিটিছৰ আনুগত্য অবিহনে অসমীয়া জাতিৰ বিকাশ সম্ভৱ নহয়। ব্ৰিটিছৰ সহযোগিতাইহে জাতিটোৰ বিকাশ সম্ভৱ কৰি তুলিব।

কৃষক প্ৰজাৰ প্ৰতিবাদ বিদ্ৰোহৰ পৰিৱৰ্তে ব্ৰিটিছৰ শাসকসকলৰ সৈতে এক সংযোগসেতু গঢ়ি তোলাৰ প্ৰয়াসেৰে যোৰহাটত জগন্নাথ বৰুৱা (১৮৫১-১৯০৭)ৰ উদ্যোগত ১৮৮৪ চনত 'সাৰ্বজনিক সভা' গঠিত হৈছিল। *অসমৰ ৰাজনৈতিক ইতিহাস (Political History of Assam-1)* ত কোৱা হৈছে '১৮৮৪ চনত যোৰহাটত সাৰ্বজনিক সভাৰ প্ৰতিষ্ঠাপনে অসমৰ ৰাজনৈতিক অনুষ্ঠানৰ ইতিহাসক এক নতুন দিশৰ সন্ধান দিছিল। (170) 'সাৰ্বজনিক সভা'ই অসমৰ প্ৰথম ৰাজহুৱা আধুনিক ৰাজনৈতিক সংগঠন। চাহখেতিয়ক মধ্যবিত্তৰ নেতৃত্বত সংগঠিত সাৰ্বজনিক সভাৰ কৰ্মক্ষেত্ৰ মূলতঃ উজনিতে সীমাবদ্ধ আছিল, নামনিত এই সভাই বৰ বিশেষ প্ৰভাৱ পেলাব পৰা নাছিল। সেয়েহে নামনিত গঢ় লৈ উঠিছিল ৰায়ত সভাৰ। নগেন শইকীয়াই তেখেতৰ *Background of Modern Assamese Literature* গ্ৰন্থত উল্লেখ কৰিছে যে হৰিবিলাস আগৰৱালা (১৮৪২-১৯১৬), লম্বোদৰ বৰা (১৮৬০-১৮৯২) আদি লোকসকলৰ প্ৰযত্নত বৰ্দ্ধিত খাজনাৰ প্ৰতিবাদ, সামাজিক কল্যাণৰ হকে 'তেজপুৰ ৰায়ত সভা' সংগঠিত হৈছিল। (পৃঃ ২৬৩) উল্লেখ্য যে, ১৮৭৬ চনত বংগত সুৰেন্দ্ৰনাথ বন্দোপাধ্যায় আৰু আনন্দমোহন বসুৰ নেতৃত্বত ইণ্ডিয়ান এছোছিয়েছন বা ভাৰত সভা গঠিত হৈছিল। সৰ্বভাৰতীয় প্ৰেক্ষাপটত এই দুই সংগঠনৰ গঠনে হয়তো অসমৰ মধ্যশ্ৰেণীটোক চুই গৈছিল আৰু তাৰেই ফলশ্ৰুতিত গঠন হৈছিল সাৰ্বজনিক সভা, ৰায়ত সভা আৰু শেষত আছাম এছ'ছিয়েছন।

সাৰ্বজনিক সভা, ৰায়ত সভা গঠনৰ পাছতো কৃষক প্ৰজাসকলৰ ওপৰত শোষণ নিপীড়ণৰ মাত্ৰা অলপো কমা নাছিল। ১৮৮০ ৰ পৰা ১৮৯১ লৈ এই সময়ছোৱাত কৃষকসকলৰ অৱস্থা খুবেই শোচনীয় হৈ পৰিছিল। সামন্তবাদী কৃষিব্যৱস্থা, দিনে দিনে বাঢ়ি অহা খাজনা বৃদ্ধিয়ে ইয়াত অৰিহণা যোগাইছিল। কৃষকসকলৰ মাজত বাঢ়ি অহা ৰাজনৈতিক অসন্তুষ্টিবোৰ প্ৰকাশ পাইছিল ৰাইজমেলবোৰত। ১৮৯২ চনত খাজনা বৃদ্ধি কৰাৰ লগে লগে কৃষক ৰাইজৰ মাজত গভীৰ অসন্তুষ্টিয়ে দেখা দিয়ে। সাৰ্বজনিক সভা, ৰায়ত সভা আদিয়ে খাজনা বৃদ্ধিৰ প্ৰতিবাদ কৰিলেও আন্দোলন বা বিদ্ৰোহ আদি কৰাৰ তেওঁলোক পক্ষপাতি নাছিল। ঊনবিংশ শতিকাৰ শেষৰ ফালে অসমত কৃষক

বিদ্ৰোহে মূৰ দাঙি উঠিছিল। ১৮৯৩ চনৰ ডিচেম্বৰৰ পৰা ১৮৯৪ চনৰ জানুৱাৰীলৈকে এই সময়ছোৱাত ৰঙিয়াৰ কৃষকে কেইবাদিনো ধৰি থানাৰ সন্মুখত খাজনা বৃদ্ধিৰ প্ৰতিবাদত বিক্ষোভ কৰিছিল। ১৮৯৪ চনৰ জানুৱাৰীত কামৰূপৰ লচিমাত কৃষক প্ৰজাই বিদ্ৰোহ কৰিছিল। ১৮৯৪ চনৰ জানুৱাৰীত পথৰুঘাটত তহচিলদাৰৰ কাৰ্যালয়ৰ সন্মুখত কেইবাহাজাৰো লোকে কাৰ্যালয় ঘেৰাও কৰিছিল আৰু মহকুমাধিপতি, ডেপুটি কমিছনাৰ আদিৰ উপস্থিতিত তেওঁলোকে খাজনা ৰেহাইৰ বাবে আবেদন জনাইছিল। খাজনা কমাবলৈ ব্ৰিটিছ বাহিনী অমান্তি হোৱাত কৃষকসকল উত্তেজিত হৈ পৰিছিল। শেষত ব্ৰিটিছ বাহিনীয়ে বৰ্বৰতাৰে কৃষকসকলৰ ওপৰত গুলী চালনা কৰিছিল। পথৰুঘাটৰ এই শোকাৱহ ঘটনাত শতাধিক কৃষকে প্ৰতিবাদ কৰিবলৈ গৈ মৃত্যুক আঁকোৱালি লৈছিল। তাৎপৰ্যপূৰ্ণভাৱে, এই কৃষক বিদ্ৰোহবোৰৰ সৈতে অসমীয়া মধ্যবিত্ত শ্ৰেণীটোৱে জড়িত হ'ব খোজা নাছিল। 'ফুলগুৰিৰ ধেৱা'ৰ পিছতে সুদীৰ্ঘকাল ধৰি ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰা পথৰুঘাটৰ ৰণ আৰু ৰঙিয়াৰ কৃষক বিদ্ৰোহ অসমৰ মধ্যবিত্ত শ্ৰেণীৰ বিকাশৰ পথত দুটা উল্লেখযোগ্য ঘটনা। এই বিদ্ৰোহবোৰে ইংৰাজ ব্যৱস্থাপনাৰ প্ৰতি অসন্তুষ্ট কৃষকৰ মাজত বাঢ়ি অহা প্ৰতিবাদী চেতনাৰ ইংগিত দাঙি ধৰে। "এইবোৰ দেখাত স্বতঃস্ফূৰ্ত হ'লেও সমাজ মনস্তাত্ত্বিক দিশৰ পৰা ঔপনিৱেশিক শৃংখলাৰ পৰা মুক্ত হোৱাৰ আকাংক্ষাৰ এইবোৰ বহিৰ্প্ৰকাশ"। (বৰগোহাঁঞি ২২৪) নগেন শইকীয়াই 'পথৰুঘাটৰ ৰণ'ক ঊনবিংশ শতিকাৰ ব্ৰিটিছৰ বিৰুদ্ধে শেষ ৰণ বুলি অভিহিত কৰিছে। (71) পৰৱৰ্তী সময়ত পথৰুঘাটৰ এই কাহিনীয়ে জনমানসত এক নতুন আয়তন লাভ কৰিলে। 'পাথৰুঘাটৰ ধেৱা বা পথৰুঘাটৰ ৰণৰ কাহিনীক অৱলম্বন কৰি এক জটিল সামাজিক সাংস্কৃতিক প্ৰক্ৰিয়াৰ জৰিয়তে জন্ম হ'ল এক মৌলিক কাহিনীৰ[৭]। এই কাহিনী দলি পুৰাণ নামে জনাজাত হ'ল। সাহিত্যিক-সাংস্কৃতিক মাধ্যমৰ জৰিয়তে পথৰুঘাটৰ ৰণৰ কাহিনীয়ে জনমানসত বিপুল প্ৰভাৱ পেলালে। এই প্ৰসংগতে উল্লেখ কৰিব পাৰি লক্ষ্মীনাৰায়ণ কোঁৱৰৰ পথৰুঘাটৰ ৰণ (১৯৭০), নাট্যকাৰ দেৱেশ শৰ্মাৰ নাটক ১৮৯৪ (১৯৮৪), পৰমানন্দ ৰাজবংশীৰ নাঙল, মাটি আৰু মানুহ (১৯৮৭) আকৌ তেখেতৰ দ্বাৰা পৰিচালিত চলচ্চিত্ৰ 'অনল' (২০০১), ৰাজেন ৰাজখোৱাৰ পৰিচালিত দূৰদৰ্শনৰ ধাৰাবাহিক 'পথৰুঘাটে ৰিঙিয়ায়' (১৯৯০)ৰ কথা।

কৃষকৰ বিদ্ৰোহ-প্ৰতিবাদে ব্ৰিটিছ অধীনস্থ অসমক জোকাৰি যোৱাৰ পিছত ১৯০৩ চনত ভাইচৰয় পৰিষদৰ সদস্য ছাৰ ডেঞ্জিল্স ইবেটচন মাটি বাৰী আৰু খাজনা সম্পৰ্কে অনুসন্ধান কৰিবলৈ

অসমলৈ আহিছিল। ব্ৰিটিছ বিষয়া ইবেটচনৰ উপস্থিতিত জমিদাৰ ৰজা প্ৰভাত চন্দ্ৰ বৰুৱাক সভাপতি হিচাপে লৈ১৯০৩ চনত গুৱাহাটীত আসাম এছোছিয়েছনে জন্মলাভ কৰিছিল। আছাম এছোছিয়েছন গঠন সম্পৰ্কত প্ৰফুল্ল মহন্তই মন্তব্য কৰিছে এইদৰে—

> কৃষকৰ সশস্ত্ৰ প্ৰতিৰোধৰ অংশীদাৰ নহ'লেও মধ্যশ্ৰেণীৰ মাজতো যে অসন্তোষ আছিল সেইটো নিশ্চয় ইবেটচনে বুজি পাইছিল। চৰকাৰী চাকৰিৰ ক্ষেত্ৰত অসমীয়া শিক্ষিত লোক বঞ্চিত হোৱাত মধ্যশ্ৰেণীৰ মাজত দেখা দিয়া অসন্তুষ্টি, ১৮৯২ৰ ৪ ডিচেম্বৰত চৰকাৰৰ ওচৰত সাৰ্বজনিক সভাই দাখিল কৰা স্মাৰক পত্ৰত প্ৰকাশ পাইছিল। আনহাতে খাজনা বৃদ্ধিয়ে মধ্যবিত্তকো যে অসন্তুষ্ট কৰা নাছিল এনে নহয়, কৰিছিল কিন্তু তেওঁলোকে প্ৰতিবাদৰ পথ এৰাই চলিছিল। এই অসন্তুষ্টিয়ে দুয়োটা শ্ৰেণীকে একেখন মঞ্চতে সমবেত কৰি তেওঁলোকৰ মাজত সংহতি স্থাপন কৰাৰ অভিপ্ৰায়েৰে আসাম এছোছিয়েছন গঠনত ব্ৰিটিছে সহযোগ আগবঢ়াইছিল বুলি সহজে অনুমান কৰিব পাৰি।[৮]

এছোছিয়েছনে অসমৰ ৰাইজৰ মুখপত্ৰ হিচাপে তেওঁলোকৰ অভাৱ-অভিযোগ, আশা-প্ৰত্যাশা চৰকাৰৰ ওচৰলৈ নিছিল। এছোছিয়েশ্যনে ৰাইজমেল বা গাঁওসভাৰ ওপৰত বেছি গুৰুত্ব নিদি সাংবিধানিক নীতি-নিয়মৰে আগুৱাই যোৱাৰ পোষকতা কৰিছিল। আসাম এছোছিয়েছনে সৰ্বভাৰতীয় জাতীয়তাবাদৰ বিপৰীতে অসমৰ উন্নতি তথা অসমীয়া জাতিৰ উন্নতিৰ প্ৰতি বেছি গুৰুত্ব দিছিল। ১৯০১ চনতে আসাম এছোছিয়েছনৰ ফালৰ পৰা ব্ৰহ্মপুত্ৰ উপত্যকাত কলেজ প্ৰতিষ্ঠাৰ কাৰণে আৰু ১৯২০ চনত অসমত এখন বিশ্ববিদ্যালয় স্থাপনৰ কাৰণে দাবী জনোৱা হৈছিল। বিধান পৰিষদত অসমক আসন দিয়াৰ বাবেও এছোছিয়েছনৰ ফালৰ পৰা প্ৰথম দাবী জনোৱা হৈছিল। ১৯০৫ চনত অসমক পূৰ্ববংগৰ স'তে সংযুক্ত কৰাৰ বিৰোধিতা কৰি অসমক এখন পৃথক ৰাজ্য কৰাৰ বাবে এছোছিয়েছনে ব্ৰিটিছ চৰকাৰক আহ্বান জনাইছিল। দেখা যায় ১৯০৩ চনৰ পৰা ১৯২০ চনলৈ আসাম এছোছিয়েছনে মধ্যবিত্ত স্বাৰ্থজড়িত ৰাজনৈতিক বিষয়সমূহক লৈ মাত মাতি আহিছে। আসাম এছোছিয়েছনে অসমৰ বিভিন্ন সমস্যাসমূহক লৈ ৰাজনৈতিকভাৱে এখন মঞ্চ দিলে বুলি ক'ব পাৰি। আসাম এছোছিয়েছনৰ মঞ্চৰ পৰাই পৰৱৰ্তী সময়ত আসাম ছাত্ৰ সন্মিলন আৰু অসম সাহিত্য সভা গঠন হয়।

১৯১৬ চনৰ ২৬ ডিচেম্বৰত আসাম এছোছিয়েছনৰ মণ্ডপতে আসাম ছাত্ৰ সন্মিলন গঠিত হয়। প্ৰথম অৱস্থাত এই সন্মিলন 'অসমীয়া ছাত্ৰ সাহিত্য সন্মিলন' নামে গঠন হৈছিল যদিও ছাত্ৰসকলৰ কাম-কাজ অকল সাহিত্য বিষয়তে আৱদ্ধ নাথাকি বহুমুখী হোৱাত গুৰুত্ব দিয়াত 'আসাম ছাত্ৰ সন্মিলন' নামে পৰৱৰ্তী পৰ্যায়ত পৰিচিত হয়। ব্ৰিটিছসকলৰ আদৰ্শ নীতিৰ অনুগত মধ্যবিত্ত শ্ৰেণীটোৱে তেওঁলোকৰ আনুগত্যশীল ৰাজনীতিৰ মাজেৰে ছাত্ৰসকলকো তেওঁলোকৰ আওতালৈ অনাৰ প্ৰয়াস কৰিছিল যদিও সফল নহ'ল। অসমৰ দুগৰাকী বৰেণ্য ব্যক্তি লক্ষ্মীনাথ বেজবৰুৱা (১৮৬৪-১৯৩৮) আৰু পদ্মনাথ গোহাঞিবৰুৱাই সভাপতিৰ আসনৰ পৰা দিয়া বক্তব্যৰ মাজতো পোৱা গৈছিল ব্ৰিটিছৰ প্ৰতি আনুগত্যৰ মনোভাৱ।[৯] 'ছাত্ৰ সন্মিলন'ৰ মাজেৰে ছাত্ৰসকলে নিজৰ কাৰ্যপন্থা নিজেই প্ৰস্তুত কৰি লৈছিল। ১৯০৯ চনৰ তেজপুৰ অধিৱেশনত স্বদেশী বস্তু গ্ৰহণৰ প্ৰস্তাৱ লোৱা হয়। ভাৰতীয় জাতীয় কংগ্ৰেছৰ আদৰ্শই অসমৰ ছাত্ৰ সমাজক অনুপ্ৰাণিত কৰাৰ ইংগিত ই বহন কৰিছিল। প্ৰণিধানযোগ্য, ৰাওলাট আইনৰ প্ৰতিবাদত সমগ্ৰ ভাৰতবৰ্ষতে হোৱা সত্যাগ্ৰহ, মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰ আৰু জালিৱানাৱালাবাগত সমবেত হোৱা হাজাৰ হাজাৰ প্ৰজাৰ ওপৰত হোৱা অমানুষিক গুলী চালনাক লৈ ছাত্ৰ সন্মিলনৰ ফালৰ পৰা কোনো প্ৰতিবাদ হোৱা নাছিল। অৱশ্যে ১৯২০ চনৰ পৰা ছাত্ৰ সন্মিলনৰ চৰিত্ৰৰ কিছু মৌলিক পৰিৱৰ্তন লক্ষ্য কৰা যায়। সেই বছৰতেই নাগপুৰত অনুষ্ঠিত কংগ্ৰেছৰ অধিৱেশনত অসহযোগ আন্দোলনৰ সিদ্ধান্ত লোৱা হৈছিল। অসমতো ছাত্ৰ শক্তিৰ নেতৃত্বত অসহযোগ আন্দোলন সংঘটিত হৈছিল। আসাম এছোছিয়েছন আৰু ছাত্ৰশক্তিৰ বুকুতে আঁউজি অসমলৈ ১৯১৭ চনত জাতীয় কংগ্ৰেছৰ আনুষ্ঠানিক প্ৰৱেশ ঘটে। "ভাৰতীয় জাতীয় মুক্তি আন্দোলনৰ লগত এয়াই অসমৰ স্পষ্ট সেতুবন্ধন"। (ফুকন ১৪) ১৯২১ চনত অসমত প্ৰদেশ কংগ্ৰেছ কমিটি গঠন হৈছিল। আঞ্চলিক জাতীয়তাবাদৰ মাজতে আৱদ্ধ 'আছাম এছোছিয়েছন'ৰ বুকুতে অসম কংগ্ৰেছে জন্ম লাভ কৰি সৰ্বভাৰতীয় জাতীয়তাবাদক সাবটি লৈছিল।

জাতীয় কংগ্ৰেছৰ জন্মৰে সৰ্বভাৰতীয় জাতীয়তাবাদৰ বাট মুকলি হ'লেও অসমৰ এক বিদ্ৰোহী সাহিত্যিক, সাংস্কৃতিক সত্তা অম্বিকাগিৰী ৰায়চৌধুৰী (১৮৮৫-১৯৬৭)ৰ কাম-কাজৰ মাজেৰে আঞ্চলিক জাতীয়তাবাদৰ উন্মেষ দেখা গৈছিল। ভাৰতীয় জাতীয় কংগ্ৰেছৰ এজন সদস্য ৰায়চৌধুৰীয়ে ১৯২৬ চনত অসম সংৰক্ষিণী সভাৰ জন্ম দিছিল। এই সভাৰ মূল উদ্দেশ্য আছিল জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ মানুহক লৈ অসমীয়া জাতি গঠনৰ প্ৰয়াস কৰা। ভাৰতীয় মহাজাতিৰ বুকুত অসমীয়া

জাতিৰ আত্মপ্ৰতিষ্ঠাৰ বাবে তেওঁ মূলতঃ জোৰ দিছিল। কিন্তু তেওঁৰ মনোভাৱ বিচ্ছিন্নতাকামী নাছিল। উল্লেখনীয় যে বংগ ভংগ আন্দোলনৰ সময়ত বংগত স্কুল কলেজীয়া ছাত্ৰৰ মাজত অনুশীলন সমিতি নামৰ এটি উগ্ৰবাদী ছাত্ৰ সংগঠন গঢ়ি উঠিছিল। অসমতো অম্বিকাগিৰীৰ নেতৃত্বত বংগৰ আদৰ্শৰে 'অসমৰ পৰা ব্ৰিটিছক উচ্ছেদ কৰিবলৈ' আৰু অসমক পূৰ্ববংগৰ লগত সাঙুৰি দিয়াৰ বিৰোধিতা কৰি অনুশীলন সমিতি গঠন হৈছিল। বংগভংগ আন্দোলনৰ আন্দোলনমুখী ৰাজনীতিৰ প্ৰতি শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ কোনো সমৰ্থন তথা সহানুভূতি নাছিল। (লক্ষ্মীনাথ বেজবৰুৱা আৰু পদ্মনাথ গোহাঞিবৰুৱাৰ লেখনীত এই মনোভাৱ স্পষ্টভাৱে প্ৰকাশ পাইছিল।)

বংগভংগ আন্দোলনে অসমত বৰ বিশেষ সহাঁৰি নাপালেও ছাত্ৰ-শক্তিৰ নেতৃত্বত অসহযোগ আন্দোলন সংঘটিত হৈছিল। অসহযোগ আন্দোলনত অংশগ্ৰহণ কৰা ছাত্ৰসকলে গাঁও অঞ্চলত সংগঠন গঢ়ি তোলা, তিলক স্বৰাজ ভঁৰাললৈ চাঁদা সংগ্ৰহ কৰা, মাদক দ্ৰব্য বৰ্জনৰ বাবে প্ৰচাৰ কৰা আৰু তেনে দ্ৰব্য বিক্ৰী কৰা দোকান-পোহাৰত পিকেটিং কৰা, ব্ৰিটিছ সৃষ্ট স্কুল কলেজ ত্যাগ কৰি জাতীয় স্কুল আদিত পঢ়াৰ ব্যৱস্থা কৰা আৰু আনকি উকীলসকলেও যাতে আদালত আদি ত্যাগ কৰে— এইধৰণৰ বিভিন্ন কাৰ্যপন্থা হাতত লৈছিল। এইবোৰৰ উপৰি বিদেশী সামগ্ৰী কৰ্তন কৰি দেশজাত সামগ্ৰী গ্ৰহণৰ প্ৰচাৰ তথা আঁচনি অসমত ছাত্ৰসকলেই কাৰ্যতঃ পৰিণত কৰি তুলিছিল। অসমত অসহযোগ আন্দোলনৰ মূল লক্ষ্য কাৰ্যত পৰিণত নহ'লেও মাদক দ্ৰব্য বৰ্জনৰ ক্ষেত্ৰত এক যুগমীয়া সংস্কাৰ সাধিত হৈছিল। এই আন্দোলনৰ সময়ত বিশেষকৈ ছাত্ৰসকলৰ প্ৰচাৰ আৰু পিকেটিঙৰ ফলত অসমত কানিৰ প্ৰচলন প্ৰায় ৫০ শতাংশ হ্ৰাস হৈছিল। মহম্মদ তৈয়বুল্লাই (১৮৯০-১৯৬৬) তেখেতৰ আত্মজীৱনী *কাৰাগাৰৰ চিঠিত* লিখিছে অসমত অসহযোগ আন্দোলনক যথাৰ্থতে 'কানি বিপ্লৱ' বুলিব পাৰি। (পৃঃ ৭৮) এই অসহযোগ আন্দোলনৰ মাজেৰে কংগ্ৰেছে অৱদমিত, নিপীড়িতজনলৈ স্বৰাজৰ বাণী লৈ যাবলৈ সক্ষম হৈছিল। ১৯২০-২১ চনৰ অসহযোগ আন্দোলনৰ মাজেৰে কংগ্ৰেছে জনগণৰ ৰাজনীতিৰ দুৱাৰ ভাৰতৰ আন ঠাইৰ লগতে অসমতো মুকলি কৰি দিছিল। (গুহ ১৪০)

অসহযোগ আন্দোলনে অসমৰ সকলো শ্ৰেণীৰ লোকক উদ্বুদ্ধ কৰিছিল। অমিয় কুমাৰ দাসে '১৯৩০-৩২ চনৰ স্বাধীনতা আন্দোলনৰ স্মৃতি' নামৰ এটি প্ৰবন্ধত অসহযোগ আন্দোলনৰ আৱেগ, জনসাধাৰণৰ উৎসাহ সম্পৰ্কেও বৰ্ণনা কৰিছে। তেওঁ কৈছে—

> ১৯২১ চনত যে মহিলা কৰ্মী ওলোৱা নাছিল, সেইটো নহয়, ঘৰৰ গিৰিহঁত

> যেতিয়া জেইললৈ যাবলগীয়া হৈছিল, তেতিয়া তিৰোতাসকলে গাঁৱে গাঁৱে ওলাই ৰাইজৰ মাজলৈ ওলাল— এই জাতীয় সংকটৰ সময়ত ৰাইজ যাতে বিচলিত নহয়, তাৰ বাবে সান্ত্বনা দিবলৈ। স্বাধীনতা আন্দোলনৰ এই ৰূপ দেখা পাই ব্ৰিটিছ শাসনকৰ্তাসকলে কি কৰিব বুজিব নোৱাৰা হ'ল। সেইবাবে তেওঁলোকে মহিলা কৰ্মীসকলক গ্ৰেপ্তাৰ নকৰাকৈ আছিল।
> (৪২)

গৌৰীশংকৰ ভট্টাচাৰ্যই *ভূমিপুত্ৰৰ মৰ্মবেদনা*ত অসমত অসহযোগ আন্দোলনৰ প্ৰভাৱ সম্পৰ্কে এইদৰে কৈছে—

> ১৯২১-২২ চনৰ অসহযোগ আন্দোলনৰ অসমৰ ছাত্ৰসকলৰ ভূমিকা চিৰস্মৰণীয়। ১৯২১ চনৰ ১৭ জানুৱাৰী তাৰিখে কটন কলেজৰ ছাত্ৰসকলে এখন সভা পাতে। তাত তেওঁলোকে অসহযোগ আন্দোলনত যোগ দিয়াৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই সিদ্ধান্তমৰ্মে তেওঁলোকে ২০ জানুৱাৰী তাৰিখে অনিৰ্দিষ্ট কাললৈ ধৰ্মঘট কৰে।
> অসহযোগ আন্দোলনৰ ভিতৰেদি অসমৰ মানুহেই নতুন পোহৰ, নতুন অভিজ্ঞতাৰ আৰু নতুন সম্ভাৱনাৰ ইংগিত পালে। নতুন ভাৰতীয় ৰাজনীতিৰ অসমৰ মানুহৰ সুকীয়া আৰু গৌৰৱপূৰ্ণ অস্তিত্ব স্বীকৃত হ'ল।
> (৭৮)

১৯৩০ চনৰ ২৬ জানুৱাৰী তাৰিখে সৰ্বত্ৰ জাতীয় স্বাধীনতাৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। মহাত্মা গান্ধীয়ে ১২ মাৰ্চৰ পৰা ৬ এপ্ৰিললৈ ২৪১ মাইল দাণ্ডী যাত্ৰাৰে আইন অমান্য আন্দোলনৰ পাতনি মেলিছিল। জনসাধাৰণে আইন অমান্য কৰি আৰু চৰকাৰক খাজনা নিদিয়াৰ অংগীকাৰেৰে এই আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। ১৯৩০ চনৰ মে' মাহত চৰকাৰী বিদ্যালয়সমূহৰ লগতে আইন-কাছাৰীসমূহত হৰতাল, পিকেটিং আদিৰে অসমত আন্দোলন আৰম্ভ হৈছিল। মহাত্মা গান্ধীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদত ভাৰতৰ আন ঠাইৰ লগতে অসমতো আন্দোলন হৈছিল। গান্ধীৰ গ্ৰেপ্তাৰৰ বাতৰি পোৱাৰ লগে লগে ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন জিলাৰ স্কুল-কলেজৰ লগতে দোকান-পোহাৰবোৰো স্বতঃস্ফূৰ্তভাৱে বন্ধ হৈ গৈছিল। হয়তো মে' মাহৰ শেষলৈ এই আন্দোলন কিছু

প্ৰশমিত হ'লহেঁতেন কিন্তু চৰকাৰৰ প্ৰতিহিংসা পৰায়ণ আচৰণে আন্দোলনকাৰীসকলক বেছি উৎসাহিতহে কৰিলে।

কংগ্ৰেছৰ নেতৃত্বত দ্বিতীয়বাৰৰ বাবে চলা স্বাধীনতাৰ আন্দোলনত ছাত্ৰ-যুৱকৰ সক্ৰিয় অংশগ্ৰহণে চৰকাৰক শংকিত কৰি তুলিছিল। ছাত্ৰ-যুৱকৰ সহযোগিতা বন্ধ কৰি আন্দোলনত যতি পেলাবলৈ অসমৰ শিক্ষাধিকাৰ জে আৰ কানিংহামে ১৫ মে' তাৰিখে এখন চাৰ্কুলাৰ জাৰি কৰে। অসমৰ স্বাধীনতা আন্দোলনৰ ইতিহাসত ইয়াক কাৰ্নিহাম চাৰ্কুলাৰ নামে জনা যায়। এই চাৰ্কুলাৰখনৰ মূল কথা এয়ে আছিল যে অভিভাৱকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে ৰাজনৈতিক আন্দোলন, চৰকাৰ বিৰোধী সভা-সমিতি বা শোভাযাত্ৰা আদিত অংশগ্ৰহণ নকৰে বুলি লিখিতভাৱে জনালে তেনে ছাত্ৰ-ছাত্ৰীক স্কুল-কলেজত নামভৰ্তি কৰিবলৈ দিয়া হ'ব। শিক্ষাধিকাৰৰ দ্বাৰা ৰাজনৈতিক অধিকাৰ হৰণৰ এই ব্যৱস্থাই অসমৰ ছাত্ৰসকলক আন্দোলনত জঁপিয়াই পৰিবলৈ পৰোক্ষভাৱে অনুপ্ৰাণিত কৰিলে। গান্ধীজীৰ গ্ৰেপ্তাৰৰ প্ৰতিবাদ কৰাৰ লগতে আইন অমান্য আন্দোলনৰ মাজেৰে কানিংহাম চাৰ্কুলাৰৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ হৈছিল। কংগ্ৰেছৰ নেতৃত্বত দ্বিতীয়বাৰৰ বাবে হোৱা এই স্বাধীনতা আন্দোলনত লোণ আইন ভংগ কৰাৰ জৰিয়তে আৰম্ভ কৰা হৈছিল যদিও অসমত লোণ আইন ভংগ কৰাৰ কোনো বাস্তৱ পৰিৱেশ নথকাত অসমত প্ৰধানতঃ আইন অমান্য আন্দোলন কেন্দ্ৰীভূত হৈছিল কানিৰ দোকান, মদৰ মহল আৰু বিদেশী বস্ত্ৰৰ দোকান আদি বাধা দিয়া কাৰ্যত। ৰাজনৈতিকভাৱে ১৯৩০-৩২ ৰ আইন অমান্য আন্দোলন পূৰ্ণোদ্যমে সাম্ৰাজ্যবাদ বিৰোধী নহৈ হৈ পৰিছিল সংস্কাৰবাদী। ইয়াকো মাদক দ্ৰব্য বৰ্জন আন্দোলন বুলিহে ক'ব পাৰি। (কলিতা ৯৫)

১৯৩০ চনৰ আইন অমান্য আন্দোলনত অংশগ্ৰহণ কৰিবলৈ মহিলাসকলো আগবাঢ়ি আহিছিল। তেওঁলোক প্ৰত্যক্ষভাৱে আন্দোলনৰ সৈতে সংযুক্ত হৈছিল। এই বিষয়ে অমিয় কুমাৰ দাসে কৈছেঃ

> ১৯৩০ চনত মহিলা কৰ্মীসকল পিকেটিং কৰিবলৈ ওলাই অহাত গ্ৰেপ্তাৰ কৰিবলগীয়া হৈছিল। তেওঁলোকৰ গ্ৰেপ্তাৰ আৰু কাৰাদণ্ডই দেশবাসীৰ জাগৰণ অনাত সহায় কৰিলে। (৪২)

ত্ৰিছৰ দশকৰ অৰ্থনৈতিক মন্দাৱস্থাই আইন অমান্য আন্দোলনক সাম্ৰাজ্যবাদ বিৰোধী ৰূপ দিছিল। মহাত্মা গান্ধীয়ে আন্দোলনটোক অহিংসা নীতিৰে পৰিচালিত হৈ থকাত জোৰ দিছিল যদিও আন্দোলনটোৰ ৰাজনৈতিক আৰু সামাজিক কাম-কাজবোৰ ন ন দিশেৰে পৰিচালিত হৈছিল। "এই

সময়ছোৱাতে মাটিৰ খাজনাৰ পৰিমাণ হ্ৰাস কৰাৰ দাবী লৈ স্থানীয় কেতবোৰ কৃষক সংগঠন সংগঠিত হৈছিল। ১৯৩৩ চনত কামৰূপত ২০০০ কৃষকে চহী কৰি চৰকাৰক এখন স্মাৰক পত্ৰ দি তেওঁলোকৰ অভাৱ-অভিযোগসমূহ দূৰ কৰিবলৈ দাবী জনাইছিল। (Guha 183)

উল্লেখ্য যে, "কংগ্ৰেছৰ নেতৃত্বত আইন অমান্য আন্দোলন চলি থাকোতেই অসমত আঞ্চলিকতাবাদ বা প্ৰাদেশিকতাবাদ মূৰ দাঙি উঠা দেখা গৈছিল। কংগ্ৰেছৰ সৰ্বভাৰতীয় কাৰ্যসূচীয়ে আঞ্চলিক বিভিন্ন সামাজিক, অৰ্থনৈতিক সমস্যাৰ প্ৰতি ইমান মনোযোগ দিয়া নাছিল।" ঔপনিৱেশিক আৰু সামন্তীয় শোষণে অসমৰ কৃষক প্ৰজাক জুৰুলা কৰিছিল। (মহন্ত ৩৩২) সেয়েহে বিভিন্ন ঠাইত কৃষকসকলে নিজৰ দাবীসমূহ লৈ প্ৰতিবাদী হৈ উঠিছিল। অকল কৃষকসকলেই নহয় চাহবাগানত কাম কৰা বিভিন্ন কৰ্মীসকলৰ মাজতো এনে ক্ষোভ দেখা গৈছিল। আকৌ, সেই সময়ছোৱাতে বৰাক উপত্যকাত এক নতুন সোঁত প্ৰৱাহিত হৈছিল। অহিংসাবাদী আন্দোলনৰ ব্যৰ্থতাই উঠি অহা ডেকাচামক নিৰাশ কৰিছিল, তাৰ বিপৰীতে তেওঁলোক উগ্ৰবাদী কাম-কাজৰ প্ৰতি অধিক আকৰ্ষিত হোৱা দেখা গৈছিল। বিপ্লৱীসকলৰ কাম-কাজে ব্ৰহ্মপুত্ৰ উপত্যকাতো প্ৰভাৱ পেলাইছিল। ভগৎ সিঙৰ ফাঁচীৰ প্ৰতিবাদত অসমৰ বিভিন্ন জিলাত প্ৰতিবাদ হৈছিল। আইন অমান্য আন্দোলনৰ সমসাময়িক কালছোৱাতে সৰ্বভাৰতীয় ৰাজনৈতিক প্ৰেক্ষাপটলৈ কিছু পৰিৱৰ্তন আহিছিল। অসহযোগ আন্দোলনৰ সময়ছোৱাৰে পৰা ভাৰতীয় ৰাজনীতিত সাম্যবাদী সংগঠন গঠন কৰাৰ প্ৰয়াস চলিছিল। আইন অমান্য আন্দোলনৰ সময়ছোৱাতে ১৯৩৪ চনত কংগ্ৰেছৰ ভিতৰত সমাজবাদী দল এটি গঢ় লৈ উঠে। এই দল গঢ়ি তোলাত মূলতঃ আগভাগ লৈছিল জয়প্ৰকাশ নাৰায়ণ, আচাৰ্য নৰেন্দ্ৰ দেৱ, অচ্যুত পট্টবৰ্ধন আদি লোকসকলে।" মাৰ্ক্সীয় আদৰ্শত কংগ্ৰেছ সমাজবাদী দল গঠনৰ উপৰি আইন অমান্য আন্দোলনৰ পিছৰ কালছোৱাৰ ভাৰতৰ ৰাজনৈতিক মঞ্চৰ এক উল্লেখযোগ্য ঘটনা হ'ল ১৯৩৫ চনৰ ২ আগষ্টত ভাৰতৰ বাবে ব্ৰিটিছ সংসদত গৃহীত হোৱা ভাৰত শাসন বিধি (India act of 1935)। চল্লিশৰ দশকত অসমৰ ৰাজনৈতিক প্ৰেক্ষাপটক কবীন ফুকনে এইদৰে আলোচনা কৰিছে—

> ১৯৩৫ ৰ পৰা চল্লিশৰ দশক সোমোৱাৰ আগতে অসমতো ৰাজনৈতিক কথাকাণ্ডই বেলেগ মোৰ লৈছিল। এই বছৰতে ভাৰত শাসন আইন গৃহীত হৈছিল। ইয়াৰ আগেয়েই সৰ্বভাৰতীয় ৰাজনীতিত প্ৰতিনিধিত্ব কৰাৰ সুযোগ-

> সুবিধাৰ আলমত অসমীয়া মধ্যশ্ৰেণীৰ ৰাজনৈতিক-সামাজিক আত্মপ্ৰত্যয় কিছু দৃঢ় হৈছিল। আন কথাৰে ক'ব পাৰি যে অসমত প্ৰাদেশিক মন্ত্ৰীসভা গঠন কৰিব পৰাকৈ মধ্যবিত্তৰ সংখ্যা আৰু শক্তি গোট খাইছিল। (১৬)

বিংশ শতিকাৰ ত্ৰিশ চল্লিছৰ দশকতে অসমৰ ৰাজনীতিত মৌলানা ভাসানী আৰু চৈয়দ ছাদুল্লাৰ আৱিৰ্ভাৱে কেতবোৰ নতুন পৰিঘটনাৰ জন্ম দিছিল। পূৰ্ববংগৰ এটি কৃষক পৰিয়ালত ভাসানীৰ জন্ম হৈছিল। এগৰাকী অসহযোগ আন্দোলনকাৰী আৰু খালিফাবাদী হিচাপে ৰাজনৈতিক জীৱন আৰম্ভ কৰা ভাসানীয়ে অনুভৱ কৰিছিল যে মুছলিম কৃষকসকলে জমিদাৰ আৰু মহাজন শ্ৰেণীৰ বিৰুদ্ধে (যাৰ অধিকাংশ আছিল হিন্দু) সংগ্ৰাম চলাই নিব লাগিব। মুছলমান কৃষক জনসাধাৰণক একগোট কৰিবলৈ তেওঁ ধৰ্মীয় উন্মাদনাক প্ৰয়োগ কৰিবলৈ পিছ হোঁহকা নাছিল। তেওঁৰ সাধাৰণ জীৱন-যাপন, নৈষ্ঠিক অভ্যাস-আচৰণ আৰু মানুহক সংগঠিত কৰিব পৰা বিপুল দক্ষতাই ভাসানীক পমুৱা মুছলিম জনসাধাৰণৰ মাজত জনপ্ৰিয় কৰি তুলিছিল। ১৯৩৬ চন মানৰ পৰা ভাসানী অসমৰ ৰাজনীতিত সক্ৰিয় হৈ উঠে। ১৯৩৭ চনত তেওঁ অসম বিধান সভাৰ এগৰাকী সদস্য হিচাপে নিৰ্বাচিত হয় আৰু প্ৰায় দহ বছৰ কাল অসমৰ ৰাজনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ১৯৩৭ চনতে মহম্মদ ছাদুল্লা অসম বিধান সভালৈ নিৰ্বাচিত হয়। সেই বছৰতে তেওঁ মুছলিম লীগত যোগ দিয়ে। ১৯৩৭ চনৰ এপ্ৰিল মাহৰ পৰা ১৯৪৬ চনৰ ফেব্ৰুৱাৰী মাহলৈ তেওঁ অসমত এৰাধৰাকৈ পাঁচখন চৰকাৰ গঠন কৰে।

অসমৰ জাতীয়তাবোধত আন কেতবোৰ ঠাইৰ দৰে সক্ৰিয় হিন্দু চেতনা নাছিল। পূৰ্ববংগমূলৰ প্ৰব্ৰজনকাৰীৰ সমস্যাটোও ধৰ্মীয় সমস্যাৰূপে উদ্ভৱ হোৱা নাছিল। ভাসানী আদি নেতাসকলে ইয়াক পৰৱৰ্তী পৰ্যায়ত সাম্প্ৰদায়িক ৰূপ দিলে। আকৌ, চৈয়দ ছাদুল্লাই তেওঁৰ চতুৰ্থ মুখ্যমন্ত্ৰীত্বৰ কালত পমুৱাক ভূমি দখল কৰিবলৈ দিয়া নহ'ব বুলি ঘোষিত আৰু চুক্তিবদ্ধ নীতিৰ বিৰোধিতা কৰি 'অধিক খাদ্য উৎপাদন কৰা' শ্লোগান দি অবাধ প্ৰব্ৰজনৰ দুৱাৰ মুকলি কৰি দিছিল।

১৯৩৫ চনৰ ভাৰত শাসন আইন অনুযায়ী অনুষ্ঠিত নিৰ্বাচনত অসমত কংগ্ৰেছে ২৬ খন আসন দখল কৰি একক সংখ্যাগৰিষ্ঠতা দল হিচাপে পৰিগণিত হৈছিল যদিও সৰ্বভাৰতীয় কংগ্ৰেছৰ অনুমোদন নোপোৱা বাবে মন্ত্ৰীসভা গঠন কৰিব পৰা নাছিল। ১৯৩৭ চনত কংগ্ৰেছে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিও দলৰ বিধান মানি মন্ত্ৰীসভা গঠন নকৰাত ছৈয়দ ছাদুল্লাৰ নেতৃত্বত

অসমত ১৯৩৭ চনৰ ১ এপ্ৰিল তাৰিখে মন্ত্ৰীসভা গঠন হয়। নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অনুমোদন পোৱাৰ পিছত ছেপ্টেম্বৰৰ ১৯ তাৰিখে গোপীনাথ বৰদলৈয়ে মন্ত্ৰীসভা গঠন কৰে। যুদ্ধ আৰম্ভ হোৱাৰ পিছত কংগ্ৰেছ ৱৰ্কিং কমিটিৰ পৰামৰ্শ মানি লৈ অসমত বৰদলৈ মন্ত্ৰীসভাই ১৯৩৯ চনৰ ১৬ নৱেম্বৰত পদত্যাগ কৰে। ১৯৩৯ চনৰ ১৭ নৱেম্বৰত ছাদুল্লাই পুনৰ মন্ত্ৰীসভা গঠন কৰে। মন্ত্ৰীসভাৰ পৰা ওলাই কংগ্ৰেছে যুদ্ধ বিৰোধী সত্যাগ্ৰহ আন্দোলনত যোগ দিয়ে। আনহাতে ছাদুল্লা মন্ত্ৰীসভাই যুদ্ধলৈ সমৰ্থন দিয়াৰ লগতে ৰিজাৰ্ভ আৰু পতিত মাটি মুকলি কৰি দিয়া আদি বিভিন্ন আঁচনি হাতত ল'লে। অসমৰ সেৰেঙা জনবসতিৰ বাবে ব্ৰিটিছৰ সংযোগত ঊনবিংশ শতিকাৰ পৰাই প্ৰব্ৰজনৰ প্ৰক্ৰিয়া এটাৰ আৰম্ভ হৈছিল। "ব্ৰিটিছ শাসনৰ সময়তে পূৰ্ববংগৰ পৰা বিশেষকৈ মৈমনসিংহ জিলাৰ পৰা অসমৰ বিভিন্ন অঞ্চললৈ প্ৰব্ৰজন আৰম্ভ হৈছিল আৰু এই প্ৰব্ৰজন হৈছিল অসমত থকা অপৰ্যাপ্ত সাৰুৱা কৃষিভূমিৰ সন্ধানত।" (ডেকা ১২) ব্ৰিটিছ শাসনৰ প্ৰাৰম্ভিক কালছোৱাত জনসংখ্যা অনুপাতে অসমত যথেষ্ট মাটি আছিল। সেয়েহে পূৰ্ববংগৰ পৰা এই লোকসকলে আহি অসমৰ চন পৰি থকা মাটিসমূহ দখল কৰাত থলুৱা লোকে কোনো আপত্তি কৰা নাছিল।

প্ৰকৃততে, প্ৰথম অৱস্থাত অৰ্থনৈতিক দিশৰ পৰা প্ৰব্ৰজন এক আদৰণীয় বিষয়ে আছিল। অমলেন্দু গুহই তেখেতৰ *Planter Raj to Swaraj* ত এই বিষয়ে উল্লেখ কৰিছে।[১০] কিন্তু যেতিয়া লাহে লাহে প্ৰব্ৰজনকাৰীসকল চাৰিওফালে বিয়পি পৰিল তেতিয়াহে থলুৱা মানুহ সচেতন হ'ল। ঠায়ে ঠায়ে প্ৰব্ৰজনকাৰী আৰু থলুৱা মানুহৰ সংঘাত আৰম্ভ হ'ল। পূৰ্ব বংগৰ এই লোকসকলৰ স'তে অসমীয়া থলুৱা লোকৰ ধৰ্মীয় আৰু সাংস্কৃতিক ভিন্নতাৰ সংঘাত দেখা গ'ল। পূৰ্ব বংগীয় লোকসকলৰ আগমনে অসমীয়া সমাজৰ মানসিকতাত ধৰ্মীয় আৰু সাংস্কৃতিক ঐতিহ্য লোপৰ আতংকৰ সৃষ্টি কৰিলে। এনেবোৰ বিষয়ে ব্ৰিটিছক লাইন প্ৰথাৰ প্ৰৱৰ্তনৰ সুযোগ দিলে। ব্ৰিটিছ শাসকসকলে ১৯১৬ চনত লাইন প্ৰথাৰ সৃষ্টি কৰি ১৯২০ চনৰ পৰা তাক প্ৰৱৰ্তন কৰে। লাইন প্ৰথাৰ মাজেৰে প্ৰব্ৰজনকাৰীসকলক নিৰ্দিষ্ট একোটা অঞ্চল ধৰি দিয়া হ'ল আৰু ইয়াৰ ফলত তেওঁলোকে সকলো অঞ্চলতে সোমাব নোৱৰা হ'ল। লাইন প্ৰথাৰ সমৰ্থন আৰু বিৰোধিতাৰ মাজেৰে অসমৰ ৰাজনৈতিক ক্ষেত্ৰখনত নতুন এটি সংঘাতৰ আৰম্ভ হ'ল। এটা সময়ত এই সংঘাতে সাম্প্ৰদায়িক ৰূপ ল'লে। এই প্ৰসংগতে উল্লেখযোগ্য "১৯১৯ চনৰ The Government of India Act"ৰ জৰিয়তে ৰাজনৈতিক সমতা আংশিকভাৱে ভাৰতীয় মানুহলৈ হস্তান্তৰিত হোৱাৰ পাছলৈ মুছলিম লীগে সাম্প্ৰদায়িকতাৰ

ভিত্তিত দ্বিজাতিতত্ত্ব গ্ৰহণ কৰি বিভাজনৰ দাবী উত্থাপন কৰিছিল।" (ডেকা ২১) অসমতো ছাদুল্লা চৰকাৰৰ ভূমি নীতি আৰু আমোলাসকলৰ অসাধু আচৰণৰ ফলত প্ৰব্ৰজনৰ সমস্যাটোৱে অধিক জটিল ৰূপ লৈছিল। ইয়াৰোপৰি, ছাদুল্লা চৰকাৰখনে ব্ৰিটিছসকলৰ দমনমূলক বিভেদকামী প্ৰতিটো কাৰ্যতে সহযোগ আগবঢ়াইছিল। "এনেকৈয়ে তৈয়াৰ হৈছিল ধৰ্মীয় ভিত্তিত সামাজিক আৰু ৰাজনৈতিক অবিশ্বাস জন্ম দিব পৰা এটা অৱস্থানৰ।" (ফুকন ১৬)

১৯৩৯ চনৰ ৩ ছেপ্টেম্বৰৰ পৰা দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হ'ল। প্ৰথম বিশ্বযুদ্ধৰ প্ৰভাৱ ঘাইকৈ ইউৰোপতে সীমাবদ্ধ আছিল। দ্বিতীয় বিশ্বযুদ্ধই সমগ্ৰ পৃথিৱীতে ছানি ধৰিলে। আনকি সুদূৰ অসমতো এই যুদ্ধৰ প্ৰভাৱ দেখিবলৈ পোৱা গ'ল। দ্বিতীয় বিশ্বযুদ্ধৰ আৰম্ভণিৰ লগে লগে ৰাজনৈতিক ক্ষেত্ৰখনলৈও কেতবোৰ নতুন চিন্তাৰ সোঁত প্ৰবাহিত হোৱা দেখা গৈছিল। পূৰ্বতে উনুকিয়াইছোঁ যে ভাৰতৰ লগতে অসমতো লাহে লাহে বাঁওপন্থী চিন্তাধাৰাৰ উন্মেষ হ'বলৈ লৈছিল। অমলেন্দু গুহই তেওঁৰ *Planter Raj to Swaraj* গ্ৰন্থত কৈছে যে কমিউনিষ্ট আৰু ছ'ছিয়েলিষ্ট ভাবধাৰাই ছাত্ৰ, কৃষক, কৰ্মীসকলক সংগঠিত কৰি এখন উমৈহতীয়া মঞ্চ গঢ়ি তোলাত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল।[১১] (পৃঃ ২৩৭) *অসমৰ ৰাজনৈতিক ইতিহাসতো* (*Political History of Assam*, Vol III) এই বিষয়ে উল্লেখ কৰি কোৱা হৈছে যে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ছোৱাত অসমত শ্ৰেণী সংগঠনৰ প্ৰসাৰতাৰ লগতে শ্ৰমিক, কৃষকৰ মাজত সাম্ৰাজ্যবাদী কমিউনিষ্ট চিন্তাধাৰাৰ প্ৰভাৱ দেখা গৈছিল। (পৃঃ ২৩৭) আইন অমান্য আন্দোলনৰ সমসাময়িক কালতেই কংগ্ৰেছৰ সমাজবাদী দল এটা গঢ়ি উঠাৰ কথা পূৰ্বতে কোৱা হৈছে। অসমতো গোলাঘাট, গোৱালপাৰা, ডিব্ৰুগড় আদি জিলাত কংগ্ৰেছ সমাজবাদী দলৰ প্ৰভাৱ দেখা গৈছিল। আকৌ, এই সময়ছোৱাতে সুভাষ চন্দ্ৰ বসুৱে সাম্ৰাজ্যবাদী নীতিৰ বিৰুদ্ধে গান্ধীৰ অহিংসাবাদী নীতিৰ বিপৰীতে এক বিদ্ৰোহাত্মক হিংসাবাদী পথ বাচি লৈছিল। ১৯৩৮-৩৯ৰ তেওঁৰ অসম ভ্ৰমণৰ কালছোৱাত জনসাধাৰণৰ মাজত জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হৈছিল। গতিকে, ক'ব পাৰি এই সময়ছোৱাত গান্ধীৰ অহিংসা নীতিৰ পৰিৱৰ্তে সাম্যবাদী, কমিউনিষ্ট ভাৱধাৰাৰ লগতে বিদ্ৰোহাত্মক ৰাজনীতিয়ে অসমৰ জনগণক আকৰ্ষণ কৰিবলৈ লৈছিল।

দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হোৱাৰ লগে লগে দ্বিতীয় বিশ্বযুদ্ধত অংশগ্ৰহণ কৰাক লৈ সৰ্বভাৰতীয় প্ৰেক্ষাপটত এক ধৰণৰ দ্বন্দ্বৰ সৃষ্টি হৈছিল। এই যুদ্ধৰ এফালে আছিল জাৰ্মান, জাপান আৰু ইটালি, আনটো ফৈদত আছিল ব্ৰিটিছ, আমেৰিকা আৰু ফ্ৰান্স। পৰাধীন ভাৰতত ব্ৰিটিছে নিজকে এগৰাকী

বুলি বিবেচনা কৰি ভাৰতকো জোৰ কৰি নিজৰ পক্ষলৈ টানি নিছিল। ভাৰতবাসীৰ ইচ্ছা অনিচ্ছালৈ গুৰুত্ব নিদি ব্ৰিটিছে ভাৰতৰ পৰা যুদ্ধৰ খৰচ গোটাবলৈ লৈছিল। ভাৰতৰ প্ৰধান ৰাজনৈতিক মঞ্চ কংগ্ৰেছে যুদ্ধত কি ভূমিকা ল'ব— এই বিষয়ক লৈ নেতৃবৃন্দৰ মাজত মতভেদৰ সৃষ্টি হৈছিল। মৌলানা আবুল কালাম আজাদৰ (১৮৮৮-১৯৫৮) আত্মজীৱনী *India Wins Freedom* (১৯৫৯)ত এই বিষয়ে বিস্তৰ উল্লেখ আছে। ১৯৩৯ চনৰ মাৰ্চ মাহত ত্ৰিপুৰাত অনুষ্ঠিত হোৱা কংগ্ৰেছ অধিৱেশনত এই সিদ্ধান্ত লোৱা হৈছিল যে কংগ্ৰেছে সাম্ৰাজ্যবাদী আৰু ফেচিষ্ট দুয়ো শক্তিৰে বিৰোধিতা কৰে। সাম্ৰাজ্যবাদ আৰু ফেচীবাদ উভয় পক্ষৰে পৰা ভাৰতে নিজক আঁতৰাই ৰাখি শান্তি আৰু মুক্তিৰ পথ গ্ৰহণ কৰিব। কিন্তু এইখিনিতে কংগ্ৰেছে ব্ৰিটিছৰ গণতন্ত্ৰ আৰু সাম্ৰাজ্যবাদৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰাৰ কথাও ঘোষণা কৰিছিল। মৌলানা আবুল কালাম আজাদৰ মতে মহাত্মা গান্ধীয়ে কোনো পৰিস্থিতিতে যুদ্ধত সহযোগ কৰাটো বিচৰা নাছিল। এইবিষয়ে আজাদে তেওঁৰ আত্মজীৱনীত কৈছে যে যুদ্ধ ত অংশগ্ৰহণ কৰি ভাৰতে স্বাধীনতা লাভ কৰিলেও মহাত্মাগান্ধীয়ে যুদ্ধত সহযোগ কৰাটো বিচৰা নাছিল।[১২] কিন্তু আজাদৰ মত আছিল সুকীয়া। যিহেতু যুঁজখন ফেচীবাদ আৰু গণতন্ত্ৰৰ মাজত হৈছে। গতিকে ভাৰতে নিশ্চিতভাৱে গণতান্ত্ৰিক ফৈদটোলৈ সমৰ্থন জনাব লাগে।[১৩]

১৯৩৯-৪৫ ৰ দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰভাৱ অসমতো প্ৰত্যক্ষ হৈছিল। যুদ্ধৰ সময়ছোৱাত মিত্ৰ শক্তিৰ বিশেষকৈ মাৰ্কিন দেশৰ শ্বেত আৰু কৃষ্ণবৰ্ণৰ সৈন্য-সামন্তই অসমৰ গাঁৱে-নগৰে বাহৰ পাতিছিল। সৈন্য শিবিৰ পতা বাবে স্কুল-কলেজ বন্ধ হৈছিল। এই নতুন পৰিস্থিতিৰ স'তে মুখামুখি হৈ অসমীয়া জনসাধাৰণ উত্তেজিত আৰু আতংকিত হৈ উঠিছিল। অসমীয়া নাৰী সমাজেও এই সৈন্য বাহিনীৰ দ্বাৰা ভয়ংকৰ অভিজ্ঞতাৰ মুখামুখি হ'ব লগা হৈছিল। অসমৰ সমাজ জীৱনৰ অংশ বিশেষে দুৰ্নীতিৰ প্ৰকাশ পৰিস্ফুট হৈছিল। ঠাই বিশেষে চোৰাং বজাৰ আদিও গঢ় লৈ উঠিছিল। বস্তুৰ দাম বাঢ়িছিল। মূল্যবোধৰ অৱক্ষয় হৈছিল। ঠিকা-ঠুকলি, সৰু-ডাঙৰ ব্যৱসায় আদিত ফাকি-ফুকা দি ৰাতিটোৰ ভিতৰতে ধনী হোৱা এচাম ন-অসমীয়া চহকী লোকৰ সৃষ্টি হৈছিল। বিশিষ্ট গল্পকাৰ যোগেশ দাসৰ *'ডাৱৰ আৰু নাই'* উপন্যাসত এই সময়ছোৱাৰ এক প্ৰত্যয়জনক চিত্ৰ অংকিত হৈছিল। যুদ্ধক্ষেত্ৰৰ প্ৰত্যক্ষ বৰ্ণনাৰ বিপৰীতে যুদ্ধক্ষেত্ৰৰ আঁৰৰ এইবোৰ ভয়াৰহতাকে উপন্যাসখনত দাঙি ধৰা দেখা গৈছিল। যুদ্ধৰ বিভীষিকাই সহজ-সৰল মনবোৰ কিদৰে কলুষতাৰে ভৰাই তুলিছিল, মানবীয় মূল্যবোধ কিদৰে নোহোৱা কৰি দিছিল তাৰে চিত্ৰণ আছিল উপন্যাসখনত।

বিভিন্ন মতবিৰোধ সত্ত্বেও কংগ্ৰেছৰ ১৯৪০ চনৰ মাৰ্চ মাহত অনুষ্ঠিত ৰামগড় অধিৱেশনত সিদ্ধান্ত লোৱা হ'ল যে ব্ৰিটিছে যদি ভাৰতক পূৰ্ণ স্বাধীনতা দিয়ে তেন্তে যুদ্ধত সহযোগিতা কৰিব। ব্ৰিটিছে কংগ্ৰেছৰ দাবী মানি নল'লে। আকৌ, সেই সময়ছোৱাতে সুভাষ চন্দ্ৰ বসুৱে ব্ৰিটিছ বিৰোধী যিকোনো শক্তিৰ সৈতে সহযোগ কৰাত জোৰ দিছিল। সুভাষ চন্দ্ৰ বসুৱে জাপানৰ সহযোগত আজাদ হিন্দ ফৌজ গঠন কৰি কংগ্ৰেছৰ অহিংসাবাদী নীতি পৰিহাৰ কৰি ভাৰতক স্বাধীন কৰাৰ বাবে এক সশস্ত্ৰ পন্থা বাছি লৈছিল। ব্ৰিটিছে কংগ্ৰেছৰ দাবী মানি নোলোৱাৰ প্ৰতিবাদত গান্ধীজীৰ আহ্বান মৰ্মে ব্যক্তিগতভাৱে প্ৰতিবাদ কৰাৰ বা বিৰোধিতা কৰাৰ সিদ্ধান্ত লোৱা হ'ল। ১৯৪১ চনৰ মাৰ্চ এপ্ৰিল মাহত ভাৰতীয় ৰাজনৈতিক নেতাসকলৰ সৈতে আলোচনা কৰাৰ অৰ্থে ছাৰ ষ্টেফ'ৰ্ড ক্ৰিপছে ভাৰত ভ্ৰমণ কৰে। কিন্তু ক্ৰিপছৰ সৈতে হোৱা আলোচনাসমূহ ব্যৰ্থতালৈহে পৰ্যবসিত হ'ল। ব্ৰিটিছ ৱাৰ কেবিনেটে কংগ্ৰেছৰ দাবী মানি নল'লে। পুনৰবাৰ ব্ৰিটিছে কংগ্ৰেছক আন্দোলনৰ পথলৈ ঠেলি দিলে। এনে এক পৰিস্থিতিতে ১৯৪২ চনৰ ৭-৮ আগষ্টত বোম্বাইত অনুষ্ঠিত নিখিল ভাৰত কংগ্ৰেছ কমিটিৰ অধিৱেশনতে পূৰ্ণ স্বাধীনতাৰ দাবীত গণ আদোলন সংগঠিত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। 'ব্ৰিটিছ ভাৰত ত্যাগ কৰা' এই ধ্বনিৰ ভিত্তিতে আন্দোলন সংগঠিত কৰাৰ কাৰণে, ১৯৪২ ৰ আগষ্টৰ এই আন্দোলনক ভাৰত ত্যাগ আন্দোলন আখ্যা দিয়া হয়। গান্ধীজীৰ নেতৃত্বত অহিংসা পথেৰে পূৰ্ণ স্বাধীনতা অৰ্জনৰ লক্ষ্যৰে এই আন্দোলন আৰম্ভ হৈছিল।

অসমতো স্বতঃস্ফূৰ্তভাৱে শোভাযাত্ৰা, হৰতাল আদি কাৰ্যসূচীৰে এই আন্দোলন আৰম্ভ হৈছিল। অহিংস পথেৰে এই আন্দোলন আৰম্ভ হৈছিল যদিও অকল অহিংস পথেৰে শেষলৈ এই আন্দোলন পৰিচালিত হৈ নাথাকিল। অসমৰ নগাঁও, গোৱালপাৰা, কামৰূপ, বৰপেটা আদি বিভিন্ন জিলাত বাংলো জ্বলোৱা, ৰে'লৰ ট্ৰেক উঠোৱা, টেলিগ্ৰাফ অফিচ আদি জ্বলোৱা ধৰণৰ হিংসামূলক কাৰ্য আদি সংঘটিত হৈছিল। দৰাচলতে মহাত্মাৰ অহিংসা পথৰ প্ৰতি জনসাধাৰণৰ মোহভংগ হ'বলৈ লৈছিল। বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্যই তেখেতৰ *মৃত্যুঞ্জয়* উপন্যাসৰ মাজেৰে ৪২ৰ আন্দোলনৰ সময়ৰ অসমৰ পৰিস্থিতি দাঙি ধৰিছে। উপন্যাসখনে দেখুৱাইছিল ভাৰত ত্যাগ আন্দোলনৰ আহ্বানৰ লগে লগে অসমৰ সকলো নেতাক ব্ৰিটিছ চৰকাৰে জেলত ভৰোৱাত ভাৰতৰ অন্যান্য প্ৰান্তৰ দৰে অসমৰ ৰাইজ জ্বলি-পকি উঠিছিল। এই ক্ৰোধৰ তাৎক্ষণিক প্ৰকাশ ঘটিছিল বিভিন্ন কুটাঘাটমূলক কাৰ্যত আৰু ঠায়ে ঠায়ে গৰিলা যুদ্ধত। নগাঁও জিলাৰ এগৰাকী নৈষ্ঠিক বৈষ্ণৱ আৰু মহাত্মা গান্ধীৰ আদৰ্শৰে

পৰিচালিত এগৰাকী সৎ কংগ্ৰেছ কৰ্মীয়ে এখন সামৰিক ৰেল বগৰোৱা সঁচা ঘটনাৰ আধাৰত উপন্যাসখন ৰচিত হৈছিল। বিয়াল্লিছৰ এই গণজাগৰণৰ সময়ছোৱাতে ২০ ছেপ্টেম্বৰত দৰঙৰ গহপুৰ আৰু ঢেকীয়াজুলিত শ শ নিৰস্ত্ৰ মানুহে পতাকা উত্তোলন কৰিব খোজোতে পুলিচৰ নৃশংস গুলীচালনাত ঢেকীয়াজুলিত তেৰজন আৰু গহপুৰত দুজন নিহত হৈছিল। ছহিদ হোৱাসকলৰ ভিতৰত অন্যতম আছিল পোন্ধৰ বছৰীয়া ছোৱালী কনকলতা বৰুৱা। “১৯২১-২২ আৰু ১৯৩০-৩২ৰ তুলনাত বিয়াল্লিছৰ গণজাগৰণ আছিল মধ্যবিত্তীয় সাৱধানী মনোবৃত্তিৰ সীমা চেৰাই যোৱা বিধৰ” (ফুকন ২২)

বিয়াল্লিছৰ এই আন্দোলন কেৱল কংগ্ৰেছৰে দলীয় আন্দোলন নাছিল। সশস্ত্ৰ সংগ্ৰামত বিশ্বাসী বিভিন্ন ৰাজনৈতিক শক্তি এই আন্দোলনৰ সৈতে জড়িত হৈ পৰিছিল। গোপনে প্ৰচাৰ আদি চলোৱাৰ লগতে অস্ত্ৰ শস্ত্ৰ আদিও গোটোৱা হৈছিল। দেশপ্ৰেমৰ আৱেগে যুৱশক্তি আৰু সাধাৰণ মানুহক আলোড়িত কৰি তুলিছিল। ভাৰতৰ আন আন ঠাইৰ দৰে অসমতো প্ৰচণ্ড সৈন্যসজ্জা চলিছিল। গণজাগৰণ বৃদ্ধি পোৱাৰ ফলত ইংৰাজ প্ৰশাসনৰ স্বেচ্ছাচাৰিতা আৰু দমনমূলক কাৰ্যও বৃদ্ধি পাইছিল। জ্যোতিপ্ৰসাদ আগৰৱালাকে ধৰি আন্দোলনৰ কেইবাজনো নেতা আত্মগোপন কৰিবলগীয়া হৈছিল। আন্দোলনত জড়িত থকা অভিযোগত ১৯৪৩ চনৰ ১৫ জুনত কুশল কোঁৱৰক যোৰহাটত ফাঁচি দিয়া হৈছিল।

তাৎপৰ্যপূৰ্ণভাৱে, বিয়াল্লিছৰ গণজাগৰণৰ মাজতে ছাদুল্লাই পুনৰ ইংৰাজৰ অনুগত প্ৰাদেশিক মন্ত্ৰীসভা গঠন কৰে। ছাদুল্লাৰ ভূমি ব্যৱস্থা আৰু প্ৰব্ৰজন নীতিয়ে অসমৰ ৰাজনৈতিক প্ৰেক্ষাপট উত্তাল কৰি তুলিছিল। অসমৰ ৰাজনীতিত মুছলীম লীগ আৰু হিন্দু মহাসভাৰ অভ্যুদয়ে নতুন এক জটিলতাৰ সৃষ্টি কৰিছিল। অসমত লাহে লাহে সাম্প্ৰদায়িক ৰাজনীতি গা কৰি উঠিছিল।

১৯৪৪ চনত বৰপেটাত প্ৰাদেশিক মুছলিম লীগৰ অধিৱেশন বহিছিল। ন-পমুৱাৰ দাবীৰ ভিত্তিত ছাদুল্লা আৰু ন-পমুৱাৰ নেতৃত্বৰ মাজত বিৰোধ হৈছিল। এনে পৰিস্থিতিতে অসমক পাকিস্তানৰ অন্তৰ্ভুক্ত কৰা হ'ব পাৰে বুলি উদ্বেগৰ সৃষ্টি হৈছিল আৰু গোপীনাথ বৰদলৈয়ে এনে সম্ভাৱনাক সজোৰে বিৰোধ কৰিছিল। বৰদলৈৰ নেতৃত্বতে ১৯৪৪ ৰ পৰা ছাদুল্লা চৰকাৰৰ ভূমি আৰু প্ৰব্ৰজন নীতিৰো প্ৰতিৰোধ হৈছিল। এনে বিভিন্ন বিষয়ক লৈ ১৯৪৪ চনত সৰ্বদলীয় আলোচনা হৈছিল। কিন্তু মুছলিম লীগে ইয়াত গৃহীত হোৱা প্ৰস্তাৱ তীব্ৰভাৱে প্ৰতিবাদ কৰিছিল। ১৯৪৫ চনত স্থানীয় আৰু পমুৱাৰ মাজত সংঘৰ্ষ হোৱাৰ ফলত ধৰ্মীয় ভিত্তিত বিশেষতঃ বৰপেটাত উত্তেজনাৰ সৃষ্টি

হৈছিল। ছাদুল্লা চৰকাৰৰ কাম-কাজ, নীতি আদিয়ে অসমীয়াৰ মনত ছাদুল্লা চৰকাৰ বিৰোধী মনোভাব বিয়পি পৰিছিল।

যুদ্ধৰ অবৰ্ণনীয় পৰিস্থিতি, প্ৰশাসনীয় ভ্ৰষ্টাচাৰ আদিৰ মাজত নাগৰিকৰ সাধাৰণ অধিকাৰবোৰ ক্ৰমশঃ হেৰাবলৈ লৈছিল। তাৰ লগতে ছাদুল্লা চৰকাৰৰ ভূমি আৰু প্ৰব্ৰজন সম্পৰ্কীয় নীতিয়ে অসমৰ ৰাজনৈতিক বাতাৱৰণত অস্থিৰতাৰ সৃষ্টি কৰিছিল। কোনোদিনে নেদেখা সাম্প্ৰদায়িক ৰাজনীতিৰ বতাহে আমাক চুই গৈছিল। কবীন ফুকনে অসমৰ এই সময়ছোৱাৰ বিষয়ে ক'বলৈ গৈ কৈছে—

> "ভূমি আৰু প্ৰব্ৰজন সমস্যাক কেন্দ্ৰ কৰি অসমীয়া জাতীয়তাবাদে মধ্যবিত্তীয় নেতৃত্বত পোৱা ভাষিক চৰিত্ৰৰ উপৰি আহৰণ কৰিছিল এটা কৃষিভিত্তিক চৰিত্ৰ। চল্লিশৰ দশকৰ এই তাৎপৰ্যপূৰ্ণ কথাটোৰ অনুৰণন অসম জুৰি আজিও অনুভৱ হয়।" (ফুকন ২৪)

সঞ্জীৱ বৰুৱাই সেয়েহে কৈছে স্বাধীনতাৰ প্ৰাকমুহূৰ্তৰ এই সময়খিনিত প্ৰব্ৰজনৰ বিষয়টোৱে অসমৰ ৰাজনীতিত এক প্ৰধান বিভেদকাৰী বিষয় হৈ পৰিছিল। ১৯৩৭ আৰু ১৯৪৭ৰ সময়ছোৱাত প্ৰব্ৰজনৰ বিষয়টোৱে ৰাজনৈতিক অস্থিৰতাৰ সৃষ্টি কৰিছিল। (৮৩)

ভাৰতে স্বাধীনতা লাভ কৰাৰ ঠিক আগমুহূৰ্তত বৃহত্তৰ অসমীয়া জাতিয়ে আন এক গভীৰ সংকটৰ সন্মুখীন হ'বলগীয়া হৈছিল। অসমৰ জাতীয় জীৱনলৈ সংকট কঢ়িয়াই অনা এই ভয়ংকৰ বিপদটো আছিল কেবিনেট মিছন আৰু গ্ৰুপিং আঁচনি। ব্ৰিটিছ চৰকাৰে ভাৰতীয়সকললৈ ক্ষমতা হস্তান্তৰ কৰিবলৈ উত্থাপন কৰা এক প্ৰস্তাৱযোগে অসমক বংগ দেশৰ স'তে সাঙুৰি এক সুকীয়া প্ৰাদেশিক গোটৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল। ইয়াৰ মূল উদ্দেশ্য আছিল এফালে মুছলিম লীগৰ দাবীমতে ভাৰতৰ বিভাজন ৰোধ কৰা আৰু আনফালে অদূৰ ভৱিষ্যতে পাকিস্তান গঠনৰ বাবে পৰোক্ষভাৱে লীগক সহায় কৰা। কেবিনেট মিছনৰ এই প্ৰস্তাৱক অসমৰ একাংশ নেতাই মানৰ আক্ৰমণৰ ভয়াৱহতাৰ সৈতে ৰিজাইছিল তথা 'অসমৰ বাবে মৃত্যুদণ্ড'[১৪] বুলি কৈছিল। কেবিনেট মিছনে ব্ৰিটিছ ভাৰতৰ অধীনস্থ ৰাজ্যসমূহক সামৰি তিনিটা গ্ৰুপ বা গোটৰ সৃষ্টি কৰিছিল। প্ৰস্তাৱিত আঁচনি মতে হিন্দু প্ৰধান ৰাজ্য বোম্বাই, মাদ্ৰাজ, মধ্যপ্ৰদেশ, যুক্তপ্ৰদেশ, বিহাৰ আৰু উৰিষ্যাক 'ক' গোটত (A Group), মুছলমান প্ৰধান ৰাজ্য পাঞ্জাৱ, বেলুচিস্তান, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ আৰু সিন্ধুপ্ৰদেশ 'খ' গোটত (B Group) আৰু মিশ্ৰিত জনসংখ্যাৰ অসম আৰু বংগদেশক 'গ' গোট (C

Group)ৰ অন্তৰ্ভুক্ত কৰিছিল। (বৰুৱা ৮) কেবিনেট মিছনে গ্ৰুপিং আঁচনি (১৬ মে', ১৯৪৬) দাঙি ধৰাৰ লগে লগেই অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে ইয়াৰ তীব্ৰ বিৰোধিতা কৰে। কংগ্ৰেছৰ এটি দলে দিল্লীলৈ গৈ এই আঁচনিৰ প্ৰতিবাদ কৰে। অকল কংগ্ৰেছেই নহয় কংগ্ৰেছৰ সমাজবাদী দল আৰু কমিউনিষ্টসকলেও এই গ্ৰুপিং আঁচনিৰ তীব্ৰ বিৰোধিতা কৰে। গোপীনাথ বৰদলৈয়ে এই বিষয়ক লৈ সৰ্বভাৰতীয় প্ৰেক্ষাপটত সাহসেৰে থিয় দিয়ে। এই সকলো প্ৰতিবাদ, বিৰোধ মানি অৱশেষত কেবিনেট মিছনে গ্ৰুপিং আঁচনি বাতিল কৰিবলৈ বাধ্য হয়। যিয়েই নহওক বৃহত্তৰ অসমীয়া জাতিয়ে এক মৰণপণ সংগ্ৰামৰ মাজেৰে সেই ষড়যন্ত্ৰ স্বৰূপ আঁচনি প্ৰতিহত কৰিলে। অসমৰ ৰাজনৈতিক বুৰঞ্জীত এই গ্ৰুপিং বিৰোধী আন্দোলনে এক গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ সক্ষম হৈছিল।

কেবিনেট মিছনৰ গ্ৰুপিং আঁচনিৰ বিৰুদ্ধে অসমত এক ব্যাপক গণ আন্দোলন দেখা গৈছিল। অসম প্ৰদেশ কংগ্ৰেছৰ নেতৃত্বত চলা এই আন্দোলনত সকলো দল সংগঠনে মাৰ বান্ধি থিয় দিছিল। এই আন্দোলনৰ ভূমিকাৰ বিষয়ে ক'বলৈ গৈ ৰাজনৈতিক আলোচক সুনীল কুমাৰ বৰুৱাই কৈছে, "বাস্তৱ অসমৰ বিশেষ পৰিস্থিতিৰ বাবে ৰাজ্যখনৰ বিশেষ স্বাৰ্থত ৰাজনৈতিক দলসমূহৰ মাজত ঐক্যৰ প্ৰয়োজনীয়তাৰ কথা এই আন্দোলনৰ মাজেৰে স্পষ্টকৈ প্ৰকাশ হৈছিল। যিটো পৰৱৰ্তী সময়ৰ এক আদৰ্শ হিচাপে জীয়াই থাকিব। আনহাতে গ্ৰুপিং বিৰোধী আন্দোলনৰ সময়ত সাধাৰণভাৱে কংগ্ৰেছ দলৰ কেন্দ্ৰীয় নেতৃবৃন্দৰ ভূমিকাই অসমীয়া ৰাইজক অসন্তুষ্ট কৰিছিল। কংগ্ৰেছৰ বেছিভাগ নেতাই গ্ৰুপিং বিৰোধী আন্দোলনৰ প্ৰতি কোনো ধৰণৰ সহানুভূতি প্ৰদৰ্শন কৰা নাছিল। বৰং তেওঁলোকৰ মাজত আন্দোলনটোক লৈ এক নেতিবাচক দৃষ্টিভংগী গঢ় লৈ উঠা বুলি অভিযোগ উত্থাপিত হৈছিল।[১৫]

ভাৰত স্বাধীনৰ শেষৰ বছৰটোত অসমৰ সাম্প্ৰদায়িক পৰিস্থিতি খুবেই উদ্বিগ্ন হৈ পৰিছিল। অমলেন্দু গুহই এই প্ৰসংগত কৈছে যে অসমত কাহানিও এনে পৰিস্থিতি হোৱা নাছিল। প্ৰব্ৰজন, লাইন প্ৰথা, গ্ৰুপিং আদি বিষয়ক লৈ মুছলিম লীগৰ পক্ষপাতিমূলক ভূমিকাই অসমীয়া মানুহৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। প্ৰব্ৰজনক লৈ উদ্বিগ্ন হৈ বৰদলৈ চৰকাৰে গ্ৰেজিং আৰু ফৰেষ্ট ৰিজাৰ্ভৰ (Grazing and forest reserve) পৰা পমুৱাসকলক উচ্ছেদৰ ব্যৱস্থা কৰিছিল। এই উচ্ছেদৰ আঁচনিয়ে অসমৰ পৰিস্থিতি আৰু বেছি জটিল কৰিছিল। মুছলিম লীগৰ নেতৃত্বত এই উচ্ছেদৰ বিৰোধিতা কৰি আৰু পাকিস্তান গঠনৰ দাবীত অসমৰ কোনো ঠাইত ১৯৪৬চনৰ ১৬ আগষ্ট তাৰিখে প্ৰত্যক্ষ সংঘাত

দিৱস (Direct action day) পালন কৰা হয়। মুছলিম লীগৰ নেতৃত্বত উচ্ছেদৰ বিৰোধিতা কৰি গণ আন্দোলনো সংঘটিত হৈছিল। *অসমৰ ৰাজনৈতিক ইতিহাস* (তৃতীয় খণ্ড)ত উল্লেখ কৰা মতে বহুতো মুছলিম যুৱক এই সময়ছোৱাত সশস্ত্ৰ কাৰ্যকলাপৰ স'তেও যুক্ত হৈছিল। অৱশেষত পৰিস্থিতিৰ জটিলতালৈ লক্ষ্য ৰাখি গোপীনাথ বৰদলৈয়ে উচ্ছেদৰ এই আঁচনি বন্ধ কৰিবলৈ বাধ্য হয়। সাম্প্ৰদায়িকতাৰ উত্তপ্ত বতাহে এই সময়ৰ পৰিৱেশ গধুৰ কৰাৰ লগতে অসমৰ পাৰ্বত্য অঞ্চলৰ জনজাতিসকলৰ মাজতো ৰাজনৈতিক চেতনা গঢ় লৈ উঠা দেখা গৈছিল। নিজৰ অধিকাৰ, দাবীসমূহক লৈ ক্ৰমশঃ তেওঁলোক সচেতন হ'ব লৈছিল। তাৎপৰ্যপূৰ্ণভাৱে, নগাসকলে আকৌ নিজকে ভাৰতৰ পৰা বিচ্ছিন্ন কৰি সাৰ্বভৌমত্বৰ দাবী কৰিছিল। এই ৰাজনৈতিক বাতাৱৰণৰ মাজতে ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে ব্ৰিটিছে দেশ বিভাজনৰে ভাৰত স্বাধীন ঘোষণা কৰিলে। এই বিভাজন মতে ভাৰত আৰু পাকিস্তান দুখন স্বাধীন ৰাষ্ট্ৰৰ জন্ম হ'ল। ভাৰতৰ পৰা ব্ৰিটিছসকল মাথোঁ আঁতৰি গ'ল, কিন্তু শাসনৰ চৰিত্ৰ আৰু সমস্যাবোৰ একেই থাকিল। ঔপনিৱেশিক শাসকসকলে সংগঠিত ৰূপত সৃষ্টি কৰা প্ৰব্ৰজনৰ সমস্যাটো একেই থাকিল। "কেৱল সেয়াই নহয়, ঔপনিৱেশিক শাসকসকলে নিজে সৃষ্টি কৰা এই সমস্যাটোৰ কোনো দায় দায়িত্ব লোৱা নাছিল বৰং অতি কৌশলেৰে ইয়াক ভাৰতীয় শাসক শ্ৰেণীৰ দ্বন্দ্বলৈ ৰূপান্তৰ কৰিছিল।" (গগৈ ৫৫) সময়ে সময়ে প্ৰব্ৰজনৰ বিষয়টোক লৈ অসমৰ ৰাজনৈতিক বাতাৱৰণ অস্থিৰ হৈ থাকিল, কিন্তু আজিলৈকে তাৰ কোনো এক নিশ্চিত সমাধান নোলাল।

শেষ টোকা ঃ

১. Bhaben Barua ই কৈছে ঃ The west appeared on the Indian scene with a Jenus face and calcutta the heart of modern bengal became the centre in which this dual face showed itself at its most distnict.
Bhaben Baruah. The Road to Lakshminath Bezbaroa. P-26

২. Suniti Kumar Chatterji য়ে কৈছে ঃ The nineteenth century in the history of India has been of very great significance in the development of the culture and mentality of the people of India, although in the political and economic spheres her position was at a very low ebb.
Suniti Kumar Chatterji. The Ninteenth Centuary Renaissance in India and Lakshminath Bezbaroa of Assam. P- 1

৩. Nagen Saikia ই কৈছে ঃ During the mid 19th century, Bengal, i.e. Calcutta was the on the crest of the Renaissance.
Nagen Saikia. Background of Modern Assamese Literature. P- 246

৪. নগেন শইকীয়া। (ভূমিকা) জোনাকী। পৃঃ ০.১

৫. Benedict Anderson. Imagined Communities P. 42-43

৬. অমলেন্দু গুহই তেওঁৰ Planter Raj to Swaraj পুথিত মণিৰাম দেৱান আৰু আনন্দৰাম ঢেকিয়াল ফুকনে ১৮৫৩ চনতে ব্ৰিটিছ বিষয়া এ. জে মফাট মিলছলৈ দিয়া প্ৰতিবেদনৰ পৰাই আধুনিক ৰাজনৈতিক সচেতনতাৰ আৰম্ভণি হোৱা বুলি কৈছে।
(The beginnings of modern political consciousness in the Brahmaputra Valley can be traced from 1853, when Maniram Dewan and Anandaram Phukan submitted there memorials to A.J. Moffat Mills who had come to enquire into the conditions of the province and recommend measure for their improvement) P-19.

৭. অৰূপজ্যোতি শইকীয়া। পথৰুঘাটৰ ৰণ ঃ ইতিহাস চৰ্চা আৰু ঔপনিৱেশিক সমল। কথা। পৃঃ ১০৬

৮. প্ৰফুল্ল মহন্ত। আসাম এছোছিয়েছন। কথা গুৱাহাটী। ২.১। জুন ২০০৫। ৩-৪।

৯. ‘ছাত্ৰ সন্মিলন’ৰ প্ৰথম অধিৱেশনৰ সভাপতিৰ অভিভাষণত লক্ষ্মীনাথ বেজবৰুৱাই এইদৰে

কৈছিল ঃ সকলোৰে দেখিছে যে বংগদেশৰ স্কুল-কলেজৰ কিছুমান ছাত্ৰৰ ভিতৰত ৰাজ বিদ্ৰোহ, ডকাইতি, নৰহত্যা ইত্যাদি ভীষণ চিন্তা আৰু কাৰ্যই ঠাই লৈছে। ঈশ্বৰক ধন্যবাদ যে আমাৰ অসমত আমাৰ অসমীয়া ছাত্ৰসকলৰ ভিতৰত সেই সৰ্বনশীয়া পাপ প্ৰৱেশ কৰা নাই। (উদ্ধৃত মহন্ত ২৫৯)

পদ্মনাথ গোহাঞিবৰুৱাই আকৌ ছাত্ৰ সন্মিলনৰ তৃতীয় অধিৱেশনৰ সভাপতিৰ অভিভাষণত কৈছিল ঃ "ঈশ্বৰ ভক্তি আৰু ঈশ্বৰ বিশ্বাসত যিদৰে চৰিত্ৰ সংগঠিত হয় আৰু সংৰক্ষিত হয়, ৰাজভক্তি আৰু ৰাজ বিশ্বাসতো চৰিত্ৰ গঠিত আৰু ৰক্ষিত হয়।" (উদ্ধৃত মহন্ত ২৫৯)

১০. Amalendu Guha, "Immigration was no doubt an welcome phenomenon for labour short, land-abundant Assam from the economic point of view.
Amalendu Guha. Planter Raj to Swaraj. P. 206.

১১. "The socialist and communist ideology began to play a significant role in organising students, worker and peasants on a readical platform."
Amalendu Guha. Planter Raj to Swaraj. P-237

১২. আজাদে মহাত্মা গান্ধীৰ মত সম্পৰ্কে কৈছে ঃ "Gandhiji thought deeply over this question and ultimately suggested to the Congress Working Commitee that India must declare its stand in this international crisis. His view was that India must not participate in the impending war in any circumstances even if such participation meant the achievement of Indian freedom." P-27

১৩. আজাদৰ মত আছিল এনেকুৱা—
"In a struggle between these two camps I had no doubt in my mind that India should side with the democracies provided India was free." P. 28

১৪. Sanjib Baruah ই কৈছে ঃ The president of the Assam Congress- an ethnic Assamese Muslim– Called the proposal a 'death sentence' for Assam'.
Sanjib Baruah. India Against Itself. P-84

১৫. সুনীল পৱন বৰুৱা। অসমত গ্ৰুপিং বিৰোধী আন্দোলন। কথা গুৱাহাটী। ৮-১০

প্ৰসংগ

কলিতা, ৰমেশ। ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ ছাত্ৰৰ ভূমিকা। নলবাৰী ঃ সমন্বয় গ্ৰন্থালয়, ১৯৮৬। প্ৰকাশিত।

গগৈ, অখিল। *বিদেশী সমস্যা আৰু জাতীয় আন্দোলনৰ পথ*। গুৱাহাটী ঃ আখৰ প্ৰকাশ, ২০১২। প্ৰকাশিত।

গগৈ, হীৰেন। *অসমীয়া জাতীয় জীৱনত সংহতি আৰু সংঘাত*। গুৱাহাটী ঃ বাণী প্ৰকাশ, ১৯৯২। প্ৰকাশিত।

চৌধুৰী, প্ৰসেনজিৎ। ঊনৈশ শতিকা সমাজ আৰু সাহিত্য। গুৱাহাটী ঃ ষ্টুডেণ্টচ্ ষ্ট'ৰ্চ্, ২০০১। প্ৰকাশিত।

বৰা, ধ্ৰুৱজ্যোতি। *সমকালীন টোকাবহী*। নলবাৰী ঃ জাৰ্ণাল এম্প'ৰিয়াম, ১৯৯৩। প্ৰকশিত।

বৰুৱা, সুনীল পৱন। "অসমৰ গ্ৰুপিং বিৰোধী আন্দোলন"। কথা গুৱাহাটী। ২.১। (জুন ২০০৫)। ৮-১০। প্ৰকাশিত।

বায়ন, মুনীন। "আনন্দৰাম ঢেকিয়াল ফুকন।" গুৱাহাটী। ১.৮। (জুলাই ২০০৯)। ৮-১১। প্ৰকাশিত।

মজুমদাৰ, পৰমানন্দ। "লক্ষ্মীনাথ বেজবৰুৱা আৰু ঊনবিংশ শতিকাৰ অসমৰ ভাষিক দুৰ্যোগ"। প্ৰকাশ। ৩.০১। (নৱেম্বৰ ২০১৪)। ১১-১৩।

মহন্ত, প্ৰফুল্ল। "আসাম এছ'চিয়েশ্যন"। কথা গুৱাহাটী। ২-১। (জুন ২০০৫)। ৩-৪। প্ৰকাশিত।

— — —। *অসমীয়া জাতীয়তাবাদৰ উৎস প্ৰসংগ*। গুৱাহাটী ঃ জানকী প্ৰকাশন, ১৯৯৪। প্ৰকাশিত।

— — — । *অসমীয়া মধ্যবিত্তৰ ইতিহাস*। গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল, ২০০৯। প্ৰকাশিত।

— — — । "আধুনিক অসমীয়া সাহিত্য ঃ সামাজিক আৰু বৌদ্ধিক পটভূমি (১৮৮৯-১৯৩৯) ৰোমাণ্টিক যুগ। অসমীয়া সাহিত্যৰ বুৰঞ্জী (পঞ্চম খণ্ড)। (সম্পাঃ) ৰঞ্জিৎ কুমাৰ দেৱগোস্বামী। গুৱাহাটী ঃ আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, ২০১৫। প্ৰকাশিত।

শইকীয়া, অৰূপজ্যোতি। “পথৰুঘাটৰ ৰণ ঃ ইতিহাস চৰ্চা আৰু ঔপনিৱেশিক সমল”। কথা। ৪.৪ (এপ্ৰিল-মে ২০০৮) ১০৬-১০৯। প্ৰকাশিত।

Anderson, Benedict. *Imagined Communities : Reflection on the origin and spread of Nationalism.* London : Verso, 2006 (1983). 1-100. Print.

Azad, Maulana Abul Kalam. *India Wins Freedom*. New Delhi : Orient Longman, 1988 (1959. Print.

Barpujari, H.K., B.K. Barpujari and A.C. Bhuyan (ed) *Political History of Assma*. Vol.-1 (1826-1919). Guwahati : Publication Board Assam, 1999. Print.

Baruah, Bhaben. "The Road to Lakshminath Bezbaroa". *Lakshminath Bezbaroa : The Sahityarathi of Assam*. (ed) Maheswar Neog. Guwahati : Gauhati University Press, 1972. 26-35. Print.

Baruah, Sanjib. *India against itself*. New Delhi : Oxford Univeristy Press, 2008 (1999). Print.

Chatterji, Suniti Kumar. "The Nineteenth Century Renaissance in India and Lakshminath Bezbaroa of Assam". *Lakshminath Bezbaroa : The Sahityarathi of Assam*. (ed) Maheswar Neog. Guwahati : Gauhati University Press, 1972. 1-14. Print.

Guha, Amalendu. *Planter Raj to Swaraj*. Delhi : ICHR, 1977. Print.

Saikia, Nagen. *Background of Modern Assamese literature*. Guwahati : Purbanchal Prakash, 2011 (2nd revised edition). Print.